# এৰা বাটৰ লেছেৰি বুটলি.....

*কমল শইকীয়া,*
*প্ৰাক্তন সাধাৰণ সম্পাদক*
*ছাত্ৰ একতা সভা*

১৯৯২ চনৰ ১৩ আগষ্টত স্থাপিত হোৱা মায়ং আঞ্চলিক মাহাবিদ্যালয়খনে বিস্তীৰ্ণ মায়ং অঞ্চলৰ ৰাইজৰ মনত আশাৰ বীজ সিঁচি উচ্চ শিক্ষাৰ মহৎ চাহিদা পুৰণৰ উদ্দেশে ৰাইজৰ গৌৰব, কিছুমান জিয়া জিয়া স্মৃতি আৰু উত্তৰ প্ৰজন্মৰ অজস্ৰ প্ৰতিশ্ৰুতিৰ সাক্ষী হৈ চকুৰ আগতে ২৪ টা বসন্ত অতিক্ৰমি আজি পৈণত অৱস্থা লাভ কৰিলে। মহাবিদ্যালয় খনৰ বৰভেটি নিৰ্মাণৰ অন্তৰালত থকা নিৰ্মোহ, নিস্বাৰ্থ ব্যক্তি সকলৰ আত্মত্যাগ আৰু কৰ্মস্পৃহাক আমি আজিৰ প্ৰজন্মই অন্তঃকৰণেৰে শ্ৰদ্ধাৰে ৰোমন্থন কৰিছোঁ। ৰাইজৰ হিয়াৰ আমঠু স্বৰূপ এই মহাবিদ্যালয়খনে এৰি অহা সময়ছোৱাত বহুতৰ জীৱনত জ্ঞানৰ অৰ্ঘ্য ঢালি জীৱন আলোকিত কৰি তুলিছে। মই ব্যক্তিগত ভাৱে আজীৱন মহাবিদ্যালয়ৰ ওচৰত ঋণী। ২০০৪ চনত এই মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ দিনৰে পৰা স্নাতক হোৱা পৰ্য্যন্ত গোটেই সময়ছোৱা মোৰ বাবে আছিল বিশেষভাৱে ৰোমাঞ্চকৰ। ২০০৫-০৬, ২০০৬-০৭ বৰ্ষত যিসকল সন্মানীয় শিক্ষক-ছাত্ৰ-ছাত্ৰীয়ে মোক মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ মহান দায়িত্ব দি মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুযোগ দিছিল, আজিও তেওঁলোকক মই শ্ৰদ্ধাৰে সোঁৱৰণ কৰো। মহাবিদ্যালয়ত অধ্যয়নৰত সময়ছোৱাত সকলো কামতে অকপতে নিজকে নিমগ্ন কৰিবলৈ সদায় চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত অধ্যক্ষ মহোদয় আৰু বন্ধুবৰ্গই সদায় সহায় আৰু অনুপ্ৰেৰণা যোগাইছিল। এতিয়াও তাৰে কিছু স্মৃতি মনত সজীৱ হৈ আছে।

মনত পৰে ২০০৪ চনত গৰমৰ বন্ধৰ আশে পাশে হোৱা বৰবানত কলেজখন বৰ ক্ষতিগ্ৰস্ত হৈছিল। ওচৰৰ মানুহ, জীৱ-জন্তুবোৰেও উপায়ন্তৰ হৈ একমাত্ৰ কলেজ খনকে আশ্ৰয়স্থল হিচাপে লৈছিল। পানী কমাত কলেজলৈ গৈছিলো, খবৰ লবলৈ, লগত বন্ধুবৰ উৎপল (আজিৰ বুৰঞ্জীৰ সহকাৰী-অধ্যাপক)। দেখিলো- দিপন ছাৰে ঘামি-জামি কলেজৰ দেস্ক-বেঞ্চ আদি চাফা কৰি আছে, দেখি বৰ দুখ লাগিল। লাগি গলো চাৰৰ লগতে কামত। আৰু দুই-চাৰি লগ লাগিল। সন্ধিয়ালৈ কোনোৰকম কামখিনি পাৰ লগালো লঘোনে ভোকে পিয়াহে।

মদন কামদেৱ ভ্ৰমন-২০০৫ চন। ভ্ৰমন সুকলমে শেষ কৰি উভতি আহি ৰাতি ল'ৰা-ছোৱালী ঘৰা-ঘৰি থলো। তাৰে মাজতে কেইজনীমান দুৰৈৰ ছোৱালীক লগৰ ছোৱালীৰ ঘৰত থকাৰ ব্যৱস্থা কৰি দিছিলো। পিছদিনা অভিভাৱকৰ অভিযোগ। আনকি অধ্যক্ষ মহোদয়ৰ ওচৰতো অভিযোগনামা দাখিল হ'ল। বিয়া হৈ ল'ৰা-ছোৱালীৰ মুখ দেখিলে, কিন্তু আজিকোপতি সেই কেইজনীয়ে ছোৱালী নামাতে।

২০০৬ চনত ছহিদ বেদি স্থাপনৰ উদ্দেশে ল'ৰা-ছোৱালী পৰা কিছু টকা উঠালো। অলপ মান এন,এছ,ইউ,অইয়েও সহায় কৰিলে। সতীভেটিৰ হৰনাথ শইকীয়াৰ ট্ৰাকখন লৈ ইটা আনিলো গৈ ধানখুন্দাৰ পৰা। কেনেবাকৈ যোৰা টাপলি মাৰি ছহিদ বেদীৰ ভেঁটিটোহে বনালো, বাকী কাম সম্পূৰ্ণ ন'হল, ধনৰ নাটনি। বাকীথকা ইটাখিনি বহুদিন অনাদৰে পৰি থকাত অধ্যক্ষ মহোদয়ে কলেজৰে আন কামত লগালে। অৱশ্যে পৰবৰ্তী সময়ত পিছৰ সকলে কামটো প্ৰায় সম্পূৰ্ণ কৰা বৰ্তমান পৰিলক্ষিত হৈছে।

২০০৭ চনত সেই সময়ৰ ন-বিধায়ক আহিছিল কলেজলৈ এখন সভাত। অভিযোগ কৰিছিলো ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা যে, কুৰি শতিকাতো আমি মুকলি আকাশৰ তলত শৌচ, পেচাব কৰো বুলি। দাবী কৰিছিলো, কলেজত লেটিন-পেচাব ঘৰ লাগে। বিধায়কে কথা দিলে এক লাখ টকা দিম বুলি। অৱশ্যে পৰবৰ্তী সময়ত কলেজ কতৃপক্ষৰে যোগাযোগত কি হ'ল গম নাপাও; আমিও কলেজ এৰিলো।

এনে আৰু বহুতো স্মৃতি আছে যিয়ে আজিও মনটো কেতিয়াবা গধুৰ কৰি তোলে। বহু কথা পাহৰণিৰ গৰ্ভত বিলীনো হৈছে। কলেজৰ সময়ছোৱাত বিভিন্ন জনৰ পৰা পোৱা সহায়, সুদোপদেশ, প্ৰেৰণা, আৰ্শীবাদ আদি ভৱিষ্যত জীৱনৰ বাবে সদায় এক এৰাব নোৱাৰা সঙ্গী হৈ ৰব। ◆◆

শ্ৰদ্ধাৰে সুঁৱৰো...

।। জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়।।

# বিষয়

# সাক্ষাৎকার

# মহাবিদ্যালয়ৰ অধ্যক্ষৰ স'তে

# এটি আছুতীয়া সাক্ষাৎকাৰ

## ভাৰতীয় বায়ুসেনাৰ ফ্লাইট ইঞ্জিনিয়াৰৰ পৰা মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনলৈ এক বৰ্ণিল যাত্ৰা

সাক্ষাৎ গ্ৰহণ ঃ নজৰুল ইছলাম আৰু ড° উৎপল নাথ



**নজৰুল/উৎপলঃ** মায়ং আঞ্চলিক মহাবিদ্যালয়ে এইবাৰ ২৫ টা বছৰত ভৰি থ'লে অৰ্থাৎ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ। ৰূপালী জয়ন্তী বৰ্ষত উপনীত হৈ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে আপুনি নিশ্চয় উৎফুল্লিত আৰু আনন্দিত। এইক্ষেত্ৰত আপোনাৰ মনৰ অনুভৱ কেনে ধৰণৰ? অলপ প্ৰকাশ কৰিব নেকি?

**অধ্যক্ষ ঃ** প্ৰথমে মই ধন্যবাদ জনাইছো সাক্ষাৎ গ্ৰহণ কৰাৰ বাবে তোমালোক দুয়োজনকে। দ্বিতীয়তে মই উৎফুল্লিত আৰু আনন্দিত হোৱাৰ উপৰিও গৌৰবান্বিত হৈছোঁ মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তীৰ বাবে। ১৯৯২ চনতে প্ৰতিষ্ঠা লাভ কৰা মায়ং অঞ্চলৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান আমাৰ মহাবিদ্যালয়খনে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলে। ৰূপালী জয়ন্তী উৎসৱটি উদ্‌যাপনৰ বাবে ইতিমধ্যে শিক্ষক-ছাত্ৰ, প্ৰাক্তন ছাত্ৰ আৰু স্থানীয় ৰাইজ একপ্ৰকাৰ উবুৰি খাই পৰিছে। প্ৰস্তুতি যিহেতু তুংগত গতিকে এইমুহূৰ্তত আনন্দৰ বাহিৰে বেলেগ একো ভবা নাই। বানপানীয়ে কিছু চিন্তাত পেলাইছিল যদিও ভগৱানৰ কৃপাত তাৰ পৰা কিছু ৰেহাই পোৱা যেন লাগিল। যদিও মোৰ কাৰ্যকালতে ৰূপালী জয়ন্তী উৎসৱটি অনুষ্ঠিত কৰাৰ সুযোগ পালো, কিছু কষ্ট নোপোৱাও নহয়। কাৰণ প্ৰতিষ্ঠা কালৰ ভালেকেইগৰাকী শ্ৰদ্ধাৰ ব্যক্তি আজি আমাৰ মাজত নাই। তথাপিও তিনিওটা দিনৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছোঁ।

**নজৰুল/উৎপলঃ** আজিৰ পৰা ২৫ বছৰ আগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে যোগদান কৰাৰ সময়ত এই অনুষ্ঠানটোক লৈ আপোনাৰ আশা-আকাংক্ষা কি আছিল? কেনে ধৰণৰ সপোন দেখিছিল আপুনি এই অনুষ্ঠানটিক লৈ?

অধ্যক্ষ : এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত আছিল আমাৰ মায়ং অঞ্চল। উচ্চ শিক্ষাৰ বাবে এই অঞ্চলত এখনো কলেজ নাছিল। মেট্ৰিকৰ দেওনা পাৰ হোৱাৰ পিছতে মায়ং আৰু পকৰীয়া মৌজাৰ বেছিভাগ ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষানুষ্ঠানৰ অভাৱত পঢ়া জীৱন সামৰিব লগা হৈছিল। কিছুসংখ্যক ল'ৰা-ছোৱালীয়ে জাগীৰোড বা মৰিগাঁও কলেজত গৈ অধ্যয়ন কৰিবলগা হৈছিল। সেই সময়তে অঞ্চলটোৰ কেইজনমান দূৰদৃষ্টিসম্পন্ন ব্যক্তিয়ে ১৯৮৩ চনতে কলেজ পতাৰ প্ৰথম সপোন দেখিছিল। কিন্তু সেইবাৰ হৈ নুঠিল। ১৯৯২ চনত শ্ৰদ্ধাৰ কেইগৰাকীমান সমাজহিতৈষী লোকৰ আশাসুধীয়া প্ৰচেষ্টাত গঢ় লৈ উঠিল মায়ং আঞ্চলিক মহাবিদ্যালয়। এইসকলৰ ভিতৰত বেছিভাগৰে লিখা-পঢ়া নাছিল। সেইসকল নমস্য ব্যক্তিয়ে আমাক মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে নিযুক্তি দি এক গুৰুদায়িত্ব অৰ্পণ কৰিলে। তাৰ আগত যিহেতু মই ভাৰতীয় বায়ুসেনা বাহিনীৰ এগৰাকী Flight Engineer আছিলো, একাডেমিক জগতখনৰ লগত প্ৰত্যক্ষ সম্পৰ্ক একপ্ৰকাৰ নাইকিয়া হৈ গৈছিল। গতিকে শিক্ষানুষ্ঠান এখন পৰিচালনা কৰাত কিছু অসুবিধাৰ সন্মুখিন প্ৰথমাৱস্থাত হৈছিলো যদিও ৰাইজ আৰু পৰিচালনা সমিতিৰ সহযোগত লগতে মৰিগাঁও কলেজৰ প্ৰাক্তন অধ্যক্ষ মাননীয় নৰেন্দ্ৰ নাথ কেওট ছাৰৰ দিহা-পৰামৰ্শত পৰৱৰ্তী সময়ত নিয়াৰিকৈ চলাবলৈ সক্ষম হ'লো। কলেজখন চলোৱাটো এক প্ৰত্যাহ্বান হিচাপে লৈ ৰাতিয়ে-দিনে কষ্ট কৰি অসমৰ ভিতৰতে এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ সপোন দেখিছিলো।

নজৰুল/উৎপলঃ আৰম্ভণিৰ দিনটোৰ পৰা বৰ্তমানলৈ মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নকে ধৰি আন আন প্ৰশাসনীয় কাম-কাজবোৰ কি ধৰণেৰে আগবাঢ়ি গৈছিল, সেই বিষয়ে অলপ বিতংকৈ জনাব নেকি?

অধ্যক্ষ : নিশ্চয় কম। প্ৰতিষ্ঠা কালৰ পৰা যদি বৰ্তমানলৈ ক'বলৈ যাও তেন্তে বহু দীঘলীয়া হ'ব। তাৰ মাজৰে কিছু অংশহে ক'ম বুলি ভাবিছো। ১৯৯২ চনত কলেজখন প্ৰতিষ্ঠা হ'ল যদিও ১৯৯৩-৯৪ চনতহে বিশ্ববিদ্যালয়ৰ পৰা অনুমতি পোৱা হ'ল। ১৩-০৮-১৯৯২ তাৰিখে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাধ্যমেৰে মাননীয় নৰেন্দ্ৰ নাথ কেউট ছাৰৰ জৰিয়তে প্ৰথম পাঠদান কাৰ্যসূচীৰ শুভাৰম্ভ হয়। সেয়েহে ১৩ আগষ্টৰ দিনটোক প্ৰতিবছৰে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰা হয়। এইবাৰো ১৩ আগষ্টতে ৰূপালী জয়ন্তীৰ সামৰণী অনুষ্ঠান। প্ৰথম অৱস্থাত মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ অনুমতি লৈ বিদ্যালয়ৰে এটা শ্ৰেণীকোঠাত পাঠদান আৰম্ভ কৰো। স্থায়ী শিক্ষক নিযুক্তি নোহোৱাত মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰে বিষয় শিক্ষক প্ৰফুল্ল দাস, সুচেন দাস, ভীমবৰ বৰদলৈ, হৰেশ্বৰ ডেকা, ভোগেশ্বৰ বৰা, লোকেন্দ্ৰ হাজৰিকা আৰু তিলক পাঠকৰ সহায়ত পাঠদান চলোৱা হৈছিল। সেই বছৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ আছিল ৫১ জন। ১৯৯৪ চনৰ ৩১ মে'ৰ দিনা কলেজৰ নিজা মাটিত প্ৰাক্তন উচ্চ শিক্ষাৰ মন্ত্ৰী গোলোক চন্দ্ৰ ৰাজবংশীৰ দ্বাৰা আধাৰশিলা স্থাপন কৰা হয়। পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনে বিশ্ববিদ্যালয়ৰ স্বীকৃতি আৰু চৰকাৰৰ বিভাগীয় অনুমোদন আদি লাভ কৰাৰ ক্ষেত্ৰত কোনোদিন পিছলৈ ঘূৰি চাবলগীয়া নহ'ল। ভেন্সাৰ পৰ্যায়ত বুলিয়ে নহয়, আজিপৰ্যন্ত যদিও কলেজখনৰ আন্তঃগাঁথনি দুৰ্বল আছিল, ফলাফল কিন্তু বেয়া নহয়। বৰ্তমান মহাবিদ্যালয়ৰ আন্তঃগাঁথনি লাহে লাহে উন্নত বুলি ক'ব পৰা অৱস্থালৈ আহিছে। যিখিনি আধৰুৱা হৈ আছে সেইখিনি আগন্তুক দিনত সম্পূৰ্ণ হৈ উঠিব বুলি মোৰ দৃঢ়বিশ্বাস। চৰকাৰী বহু আঁচনি ইতিমধ্যে লাভ কৰিছো। One time Catch up grant, ইনড'ৰ ষ্টেডিয়াম, ছোৱালী হোষ্টেল, বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰাও যথেষ্ট পুঁজি পাবলৈ সক্ষম হৈছে মহাবিদ্যালয়খনে।

নজৰুল/উৎপলঃ মহাবিদ্যালয়খনৰ উন্নয়নৰ বাবে নিশ্চয় আপুনি বহুত সপোন দেখিছিল, বহুত আঁচনি হাতত লৈছিল। আপুনি দেখা সকলো সপোন বা সকলো আঁচনি এই সময়ছোৱাত বাস্তৱায়িত হৈছেনে? কিমানখিনি হৈছে বা কিমানখিনি আধাৰুৱা হৈ আছে? নতুন কিবা পৰিকল্পনা?

অধ্যক্ষ : সপোন মোৰেই নহয়, আমাৰ সকলোৰে যথেষ্ট আছে। যিখিনি দেখিছিলো তাৰে ভিতৰত কিছু পূৰ হ'ল আৰু কিছু বাকী থাকিল। আঁচনিও আমি যথেষ্ট হাতত লৈছিলো, কিন্তু সম্পূৰ্ণ হৈ উঠা নাই। কিছু কথা ইতিমধ্যে ব্যক্ত কৰিছো। নতুন পৰিকল্পনা বুলিবলৈ বহুতেই আছে। তাৰে ভিতৰত মহাবিদ্যালয়খনত বিজ্ঞান আৰু বাণিজ্য শাখাটো প্ৰধান। এই দুয়োটা শাখা হৈ নুঠাত মোৰ সপোন আৰু পৰিকল্পনা আধৰুৱা হৈ থাকিল। মোৰ কাৰ্যকালতে কৰিব পৰাহেঁতেন বৰ সুখ পালোহেঁতেন। বিভিন্ন কিছু সমস্যা বা অসুবিধাৰ বাবে হয়তো এই দুয়োটা শাখা হৈ উঠা নাই।

নজৰুল/উৎপলঃ আপোনাৰ সুদক্ষ নেতৃত্বত মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন (Infrastructure Development) যে চকুত লগা হৈছে। এই কথা মহাবিদ্যালয়ৰ চৌহদত ভৰি থ'লেই মুহূৰ্তৰ ভিতৰতে উপলব্ধি কৰিব পাৰি আৰু ৰাইজেও একেমুখে এই কথা স্বীকাৰ কৰিছে। ইয়াৰ লগে লগে পাৰ হৈ যোৱা সময়ছোৱাত মহাবিদ্যালয়খনৰ শৈক্ষিক উন্নয়নৰ (Academic Development)ৰ গতিধাৰা কেনেকুৱা সেই বিষয়ে চমুকৈ ৰাইজক অলপ আভাস দিব নেকি?

নজৰুল/উৎপলঃ প্ৰশ্নটোৰ উত্তৰ ৰাইজৰ বিবেচনালৈ এৰি দিলো। মই নিজকে সুদক্ষ বুলি কেতিয়াও ভবা নাই। আন্তঃগাঁথনিও বহু কিবা কৰিছো বুলি ভবা নাই। কৰিবলগীয়া এতিয়াও বহু আছে। শৈক্ষিক দিশৰ কথা দুটামান কওঁ। প্ৰথম অৱস্থাত আমাৰ ইয়াত বহু শিক্ষক নিযুক্তি দিয়া হ'ল। কিন্তু থকা-মেলা, যাতায়াতৰ ব্যৱস্থাৰ বাবে বহু শিক্ষক গুচি গ'ল। স্থায়ীভাৱে কোনো শিক্ষক দূৰৰ পৰা আহি নথকাত প্ৰথমাৱস্থাত পাঠদান বেয়া হৈছিল। যাৰ ফলত ফলাফল আশাকৰা ধৰণে কৰিব পৰা নাছিলো। কিন্তু প্ৰতিষ্ঠাৰ পাঁচ বছৰমান পিছত যেতিয়া শিক্ষক স্থায়ীভাৱে নিযুক্তি দিয়া হ'ল আৰু ইয়াতে থকা-মেলাৰ ব্যৱস্থা কৰি দিলো তাৰ পিছতহে ফলাফল ভাল হ'ব ধৰিলে। মই অতি গৌৰৱেৰে প্ৰকাশ কৰিব খুজিছো যে যোৱা পাঁচটা বছৰ বা ততোধিক কাল ৮০-৯০ শতাংশ ফলাফল ভাল কৰিব পাৰিছো।

নজৰুল/উৎপলঃ মহাবিদ্যালয়খনে সগৌৰৱে ২৫ টা বছৰত ভৰি থ'লে যদিও আজিলৈকে একমাত্ৰ কলা বিভাগতহে মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদান কৰি আহিছে। বিজ্ঞান বা বাণিজ্য বিভাগটো আজিলৈকে মহাবিদ্যালয়খনত মুকলি নহ'ল। ইয়াৰ প্ৰধান অন্তৰায় কি আছিল বা এইক্ষেত্ৰত আপোনাৰ অভিমত কি?

অধ্যক্ষ : আমি বিজ্ঞান আৰু বাণিজ্য শাখা খুলিব নোৱৰা বিষয়টোৰ কথা ইতিমধ্যে কিছু উনুকিয়াইছিলো। ইয়াৰ প্ৰধান সমস্যা হ'ল আমাৰ মহাবিদ্যালয়ৰ দাঁতি কাষৰীয়া কোনো এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলাৰ বাহিৰে বিজ্ঞান আৰু বাণিজ্যৰ শাখা নাছিল। এখনেই হায়াৰ ছেকেণ্ডাৰী। তাতো কলা শাখাটোহে আছে। এখন মহাবিদ্যালয়ৰ বিজ্ঞান বা বাণিজ্য শাখা খুলিবলৈ হ'লে ইয়াৰ আশে-পাশে থকা উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰতো সেই ব্যৱস্থা থাকিব লাগিব। আমাৰ মহাবিদ্যালয়লৈ যিহেতু নগৰ অঞ্চলৰ ল'ৰা-ছোৱালী পঢ়িবলৈ নাহে, সম্পূৰ্ণ গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়েহে অধ্যয়ন কৰি আহিছে। গতিকে গ্ৰামাঞ্চলত থকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাণিজ্য আৰু বিজ্ঞান শাখা খোলাৰ লগে লগে কলেজখনতো আৰম্ভ কৰিব পৰা যাব।

নজৰুল/উৎপলঃ ছাত্ৰ-ছাত্ৰীসকলৰ নিয়োজনৰ সুবিধাৰ্থে পৰম্পৰাগত পাঠ্যক্ৰমৰ লগত বৃত্তিমূলক বা দক্ষতা বৃদ্ধিমূলক পাঠ্যক্ৰম সংযোজনৰ ক্ষেত্ৰত আপোনাৰ কিবা আঁচনি বা কল্পনা আছে নেকি? আনহাতে এতিয়ালৈকে যিহেতু মহাবিদ্যালয়খনত তেনে পাঠ্যক্ৰম সংযোজিত হোৱা নাই, এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক আপুনি কি ধৰণেৰে আগবঢ়াই নিছে?

অধ্যক্ষ : হয়, এই কথাটো আমি প্ৰায়ে ষ্টাফ মিটিঙত আলোচনা কৰো। আমি কেৱল নিবনুৱা সৃষ্টি কৰি পঠাই আছোঁ। আজিৰ যুগত স্বনিয়োজনৰ বাবে Skill Development Courseৰ প্ৰয়োজন আছে। বেছিভাগ মহাবিদ্যালয়তে এই ব্যৱস্থা হৈ উঠিছে যদিও আমাৰ মহাবিদ্যালয়ত হৈ উঠা নাই। কিন্তু যোৱা বছৰ চৰকাৰৰ নিৰ্দেশনা

অনুসৰি ডিচেম্বৰ মাহত আমি তিনিটা Vocational Courseৰ বাবে Project দাখিল কৰিছো। তাৰে ভিতৰত Bechelor of Computer Application, Bechelor of Fishery Science আৰু তৃতীয়টো হ'ল Horticulture and Nursery। চৰকাৰৰ ওচৰত আবেদন কৰি আশা কৰিছো যদি আমাক ইয়াৰে ভিতৰত তিনিওটা নিদিলেও যিকোনো এটা দিয়ে বহুখিনি নিবনুৱাক স্বনিয়োজনৰ বাট মোকলাই দিব পৰা যাব।

নজৰুল/উৎপলঃ আমি জনাত এই মহাবিদ্যালয়ৰ পৰা শিক্ষাগ্ৰহণ কৰি ওলোৱা বহু সংখ্যক ছাত্ৰ ভাৰতীয় সেনা বাহিনীত (স্থল আৰু বিমান সেৱা দুয়োটাতে) নিয়োজিত হৈ দেশৰ সুৰক্ষাৰ দৰে পবিত্ৰ সেৱাত নিমগ্ন হৈ আছে। আপুনি নিজেও এই মহাবিদ্যালয়ত অধ্যক্ষৰ পদত অধিষ্ঠিত হোৱাৰ পূৰ্বে ১৫ টা বছৰ ভাৰতীয় বিমান বাহিনীৰ এগৰাকী বিষয়া হিচাপে দেশমাতৃৰ সেৱা আগবঢ়াই আহিছে। এতিয়া আমি জানিব খুজিছো এই ছাত্ৰসকলে আপোনাৰ জীৱন আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈ সেনাবাহিনীত যোগদান কৰিছে নেকি?

অধ্যক্ষ ঃ মোৰ আদৰ্শৰে প্ৰভাৱান্বিত হৈছে নে নাই নাজানো। সকলোৱে আমি প্ৰত্যক্ষ বা পৰোক্ষভাৱে দেশমাতৃৰ সেৱা কৰি আছোঁ। কিন্তু মোৰ নিজা দৃষ্টিভংগীৰে ভাৰতীয় সেনাবাহিনীত যোগদান কৰাটো প্ৰত্যক্ষভাৱে দেশসেৱা কৰা যেন লাগে। এই কথাবোৰ মই ছাত্ৰ-ছাত্ৰীক পাঠদানৰ বাহিৰেও প্ৰসংগক্ৰমে কৈছিলো। মোৰ সেই কথাই যদি কাৰোবাক উদ্বুদ্ধ কৰিছে মই নাজানো। দুই-এজনে ব্যক্তিগতভাৱে কিছু পৰামৰ্শ ল'বলৈ আহে। যিখিনি পাৰো মোৰ অভিজ্ঞতাৰে দুই-এটা পৰামৰ্শ দিও। হয়তো সেই পৰামৰ্শয়ো কাৰোবাৰ উপকাৰত আহিছে যদি তাৰ বাবে আনন্দ পাম। ময়ো নিজেও আমাৰ মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তৰুণ ঠাকুৰীয়াদেৱৰ ভাষণত প্ৰায়েই কোৱা ড° ভূপেন হাজৰিকাৰ "কত জোৱানৰ মৃত্যু হ'ল, কাৰ জীৱন যৌৱন গ'ল, সেই মৃত্যু অপৰাজেয়"— সেই গীতটোৰ দ্বাৰা আপ্লুত হৈছিলো। সেই গীতটোৱে মোৰ অন্তৰত প্ৰায়ে খুন্দিয়াইছিল। সেয়ে হয়তো ময়ো সামৰিক বাহিনীত যোগদান কৰি দেশমাতৃৰ সেৱা কৰিব পাৰিলো।

নজৰুল/উৎপলঃ ভাৰতীয় সেনা বাহিনীৰ বাহিৰেও এতিয়ালৈকে অন্য কোন কোন ক্ষেত্ৰত নিয়োজিত হৈ আপোনাৰ মহাবিদ্যালয়ৰ পৰা শিক্ষাগ্ৰহণ কৰি ওলোৱা ছাত্ৰ-ছাত্ৰীসকলে দেশ তথা সমাজৰ সেৱা আগবঢ়াই আছে তাৰ আভাস এটা দিব নেকি?

অধ্যক্ষ ঃ এই সময়ত নামসহ বিস্তৃতভাৱে কোৱাটো অকণমান অসুবিধা হ'ব। তথাপিও ভাৰতীয় সেনাবাহিনীত ২০-২৫ জনমান নিয়োজিত হৈছে। ৭ জন বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে, আইনী জগতত মৰিগাঁও আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ত ১৫ জনমানে ওকালতি, ভালেখিনি ছাত্ৰ শিক্ষকতাৰ বৃত্তিত জড়িত হৈ আছে। তাৰোপৰি এই মহাবিদ্যালয়ত অধ্যয়ন কৰি যোৱা ভালেকেইগৰাকী ছাত্ৰ বৰ্তমান প্ৰতিষ্ঠিত ব্যৱসায়ী। ইয়াকে লৈ গৌৰৱ কৰি আহিছো। বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ অঞ্চলত স্বাৱলম্বী হৈ সমাজসেৱা কৰিছে।

নজৰুল/উৎপলঃ শিক্ষাদানৰ পাৰদৰ্শিতাৰ লগতে মহাবিদ্যালয়খনক আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত অধ্যাপক-অধ্যাপিকাসকলৰ সহযোগিতা সম্পৰ্কে আপোনাৰ অভিমত জনাব নেকি?

অধ্যক্ষ ঃ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ পাৰদৰ্শিতাক লৈ মই সুখী। কিন্তু সততা আৰু নিষ্ঠাৰে কৰ্তব্যত ব্ৰতী হোৱাটো বিচাৰো। শিক্ষকতাৰ যিটো বৃত্তি সেয়া উপযুক্ত অৰ্থত ব্যৱহাৰ হোৱাটো কামনা কৰো। ছাত্ৰ-ছাত্ৰীক জীৱন গঢ়াৰ শিক্ষা দিয়া শিক্ষকৰ প্ৰয়োজন আছে।

নজৰুল/উৎপলঃ বিগত ২৫ বছৰত আপুনি বহু ছাত্ৰ-ছাত্ৰীক লগ পাইছে, বহুতৰে জীৱন গঢ়িছে। এই ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত আপোনাৰ কিবা ক'বলগীয়া আছে নেকি? মানে, ছাত্ৰ-ছাত্ৰীসকললৈ আপোনাৰ বিশেষ কিবা স্মৰণীয় অভিজ্ঞতা আছে নেকি?

অধ্যক্ষ ঃ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি এটাই আহ্বান, ভালদৰে লিখা-পঢ়া কৰি এজন উপযুক্ত মানুহ হোৱাৰ শিক্ষা গ্ৰহণ কৰিব লাগে ছাত্ৰ-ছাত্ৰীসকলে। লগতে ছাত্ৰ-ছাত্ৰীৰ লগত স্মৰণীয় মুহূৰ্ত বুলি নিৰ্দিষ্ট একো নাই। তেওঁলোকৰ

সান্নিধ্যৰ প্ৰতিটো ক্ষণেই মধুময়। তাৰ ভিতৰতে এটা ঘটনা উল্লেখ কৰিব খুজিছো। এদিন মটৰ চাইকেল লৈ দিপন কাঠাৰৰ স'তে নগাঁৱলৈ গৈ আছিলো। আধাবাটতে বাইকখনৰ ষ্টাৰ্ট বন্ধ হ'ল। ইটো-সিটো লাৰিলো কিন্তু ষ্টাৰ্ট নহ'ল। কিছুসময় পিছতে এখন বাইকত অহা দুজন আৰোহীয়ে ওচৰতে বাইকখন ৰাখি মোক মাত লগালে ছাৰ বুলি। মই পিছে চিনি নাপালো। কিন্তু সেইগৰাকী ছাত্ৰই মোৰ বাইকখন অলপ ইফাল-সিফাল কৰি যাব পৰা ব্যৱস্থা কৰি দিলে। লগতে এই কথাও ক'লে যে আপুনি নগাঁও নোপোৱালৈকে ষ্টাৰ্ট বন্ধ নকৰিব। সেইমতে নগাঁও গৈ পালো। ছাত্ৰজন আগে, আগে, আমি পিছে পিছে। পিছে ছাত্ৰজন কোন আছিল সেইটোহে নুসুধিলো। যদিও আমাৰে ছাত্ৰ আছিল সেই কথাটো মোৰ মনত পৰি থাকে। নোসোধাৰ কাৰণটো হ'ল জানো ছাত্ৰজনে মনত বেয়া পাই।

নজৰুল/উৎপলঃ প্ৰতিষ্ঠাৰ দিনৰে পৰা প্ৰাদেশীকৰণ হোৱা দিনলৈ প্ৰায় কুৰিটাকৈ বছৰ মহাবিদ্যালয়খনৰ উন্নয়ন আৰু পৰিচালনাৰ ক্ষেত্ৰত আপোনাৰ লগতে মায়ং অঞ্চলৰ ৰাইজেও কঠোৰ পৰিশ্ৰম আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল। প্ৰতিষ্ঠাপকসকলৰ কিছুসংখ্যক ব্যক্তি আজিও আমাৰ মাজত সৌশৰীৰে আছে যদিও কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ ইতিমধ্যে পৰলোকপ্ৰাপ্তি হৈছে। ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ আজিৰ এই মধুময় আৰু আনন্দদায়ক সময়খিনিত নিশ্চয় সেই পুণ্যাত্মাসকলৰ নাম বাৰে বাৰে আপোনাৰ মনলৈ আহি আছে। এই সম্পৰ্কে আপোনাৰ দুআষাৰ মনৰ অনুভৱ?

অধ্যক্ষ ঃ নিশ্চিতভাৱে ক'ম। আজি আমি যি গৌৰৱময় ক্ষণত উপস্থিত হৈছো ইয়াৰ আঁৰত ভালেসংখ্যক মহান ব্যক্তিৰ অৰিহণা আছে। তাৰে ভিতৰত কিছু লোক আজি আমাৰ মাজত নাই। সেইসকলৰ ভিতৰত অন্যতম আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক যাক মায়ং খনিকৰ বুলি কোৱা হয়, সেইজন হ'ল শ্ৰদ্ধাৰ দ্বিপন চন্দ্ৰ নাথদেৱ। প্ৰয়াত পৰিচালনা সমিতিৰ সভাপতি নন্দলাল উপাধ্যায়দেৱ, প্ৰতিষ্ঠাপক সমিতিৰ উপ-সভাপতি স্বৰ্গীয় ৰতিকান্ত শইকীয়া, কাৰ্যনিৰ্বাহক সদস্য মূলেশ্বৰ নাথ, ধীৰেন নাথ, তৰুণ কেলেংদেৱ, এইসকল ব্যক্তি হেৰাই গৈছে যদিও সেইসকলৰ স্মৃতি আজিও মোৰ মনত সজীৱ হৈ আছে। তেখেতসকলৰ পৰামৰ্শ আৰু ৰাইজৰ সহযোগিতাই মোক যথেষ্ট অনুপ্ৰাণিত কৰিছিল। যিসকল নাই তেখেতসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু যিসকল জীৱিত আছে তেখেতসকলৰ সুস্বাস্থ্য কামনা কৰিছো।

নজৰুল/উৎপলঃ আমি জনাত আপোনাৰ চাকৰিৰ ম্যাদ আৰু মাথোঁ এটা বছৰহে আছে। এটা বছৰৰ পিছত আপোনাৰ জীৱন পৰিক্ৰমাৰ এই ২৬ বছৰীয়া বৰ্ণাঢ্য অধ্যায়ৰ পৰিসমাপ্তি ঘটিব। সেয়েহে এই ছেগতে আমি যদি আপোনাৰ জীৱনৰ আদি অৱস্থাৰ বিষয়ে অন্য কিছু কথা জানিব খোজো? জনাবনে ?

অধ্যক্ষ ঃ জীৱনৰ আদি অৱস্থা বুলি কি ক'ম। জন্ম ল'লো পৃথিৱীত মানুহ হিচাপে। তাৰ পিছত শৈশৱ, কৈশোৰ, যৌৱন পাৰ কৰিলো ইয়াতে। সৰু-সুৰাকে সেনাবাহিনীত চাকৰি কৰি ১৫ টা বছৰ পাৰ কৰিলো। তাৰপিছত উভতি আহি এই কলেজখনতে সোমালো। সকলো বস্তুৰে একোটা সময়সীমা থাকে। মোৰো ২০১৮ চনলৈ এই কলেজত চাকৰি আছে। এই সেৱাৰ পৰা হয়তো আঁতৰি যাম। জীৱনৰ যৌৱন কালটো সেনাবাহিনীত থাকিয়েই যি কৰিলো আৰু Initial Engagement ১৫ বছৰ পূৰ কৰি সেনাবাহিনীৰ পৰা ওলাই আহি অসামৰিক জীৱনৰো সোৱাদ লোৱাৰ আশা আছিল। সেই সূত্ৰে ১৯৯২ চনৰ জুন মাহত উক্ত চাকৰিৰ পৰা ওলাই আহি বৰ্তমানৰ এই সেৱাত জুলাই ১৯৯২ ৰ পৰা ব্ৰতী হৈ পৰিলো।

নজৰুল/উৎপলঃ আমি এই কথা জ্ঞাত যে আপুনি ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ত অৰ্থনীতিবিজ্ঞানৰ দৰে বিষয়ক গুৰু বিষয় হিচাপে লৈ স্নাতক শ্ৰেণীত নামভৰ্তি কৰিছিল। কিন্তু হঠাৎ আপুনি সেই পাঠ্যক্ৰম আধৰুৱাকৈ এৰি ভাৰতীয় বায়ুসেনা বাহিনীত ভৰ্তি হ'ব লগা হৈছিল কিয়? অৰ্থাৎ আমি জানিব খুজিছো যে কি সপোন লৈ আপুনি কটন মহাবিদ্যালয়ত অধ্যয়নৰ বাবে এই পিছপৰা মায়ং অঞ্চলৰ পৰা ওলাই গৈছিল আৰু কিয়

সপোন আধাতে এৰি ভাৰতীয় বায়ু সেনা বাহিনীত ভৰ্তি হ'ব লগাত পৰিল ?

অধ্যক্ষ : এইটো ডাঙৰ প্ৰশ্ন। তথাপিও উত্তৰটো দিবই লাগিব, নহয় জানো? আমি স্কুলীয়া জীৱনতে মোৰ জীৱনৰ লক্ষ্য লিখিছিলো শিক্ষক হোৱাৰ। সেই সূত্ৰে মই মৰিগাঁও কলেজত পি ইউ পঢ়ি কটন মহাবিদ্যালয়ত ইক'নমিক্সত অনাৰ্ছ লৈ নামভৰ্তি কৰিলো। সপোন আছিল এজন ভাল শিক্ষক হোৱাৰ। কিন্তু দুখৰ বিষয় সেই সময়ত ঘৰৰ আৰ্থিক অৱস্থা তথৈবচ আছিল। আৰ্থিক দৈন্যতাৰ বাবে দেউতাই খৰচপাতি বৰ বেছি যোগাৰ দিব পৰা নাছিল। সদায় এটাই চিন্তা— এনেকুৱা এটা মকৰল ক'ৰবাত পাম নেকি? য'ত দুপইচা অৰ্জন কৰিম আৰু সমান্তৰালভাৱে অধ্যয়ন কৰিও আগবাঢ়িম। এই দুইধৰণৰ চিন্তা লৈ মাজতে যেতিয়া বায়ুসেনা বাহিনীৰ চাকৰিৰ ইন্টাৰভিউৰ সুযোগ পালো লগতে বাছনিও হ'লো । সেই সময়তো ইন্টাৰভিউ অফিচাৰে এই প্ৰশ্নটো কৰিছিল। কটন কলেজত ইক'নমিক্সত অনাৰ্ছ লৈ পঢ়ি আছা, গতিকে ডিগ্ৰী সম্পূৰ্ণ কৰা। ইয়াতকৈ ভাল চাকৰি পাবা। মই ক'লো — নহয় ছাৰ, মোক এতিয়াই লাগে। দেউতা যিহেতু জুৰুলা, ঘৰখনৰ পৰা আৰ্থিকভাৱে সহায় কৰিব পৰা নাই। যদি মই এই চাকৰিটো পাও পৰৱৰ্তী সময়ত পঢ়াৰ সুযোগ পাম। যিহেতু এয়াৰ ফ'ৰ্চতো পঢ়াৰ সুযোগ পোৱা যায়। অফিচাৰে ক'লে তুমি পালাই চাকৰি। সেইমতে মই ভাৰতীয় বায়ুসেনা বাহিনীত যোগদান কৰিলো। পাছত মই মোৰ আধৰুৱা শিক্ষাক পূৰ্ণ ৰূপ দিয়াৰ চেষ্টা চলালো।

নজৰুল/উৎপল : ভাৰতীয় বায়ু সেনা বাহিনীত আপুনি আছিল এগৰাকী Flight Engineer। এগৰাকী কলা শাখাৰ ছাত্ৰ হৈও Flight Engineer হিচাপে আপুনি কিদৰে আপোনাৰ কৰ্মদক্ষতাৰ পৰিচয় দাঙি ধৰিছিল। তাৰ আভাস এটা আমাক দিব নেকি ?

অধ্যক্ষ : Basically মই কলা শাখাৰ ছাত্ৰ আছিলো। অদম্য হেঁপাহ আছিল H.S.L.C পাছ কৰি Science পঢ়িম বুলি। পিছে সেয়া নহ'ল। কটনত নামভৰ্তি কৰিবলৈ যিদিনা যাব লাগে সেইদিনা মায়ং অথাই সাগৰত ডুব গৈ আছিল। কোনোপ্ৰকাৰে গুৱাহাটীলৈ যোৱাৰ ব্যৱস্থা নাছিল। মনত বৰ আঘাত পালো। বহুদিন ঘৰতে বহি থাকিলো বেজাৰতে। পাছত যেনিবা মৰিগাঁও কলেজতে কলা শাখাতে নামভৰ্তি কৰিলো। পৰৱৰ্তী সময়ত স্নাতক পাঠ্যক্ৰমৰ বাবে কটনত নাম লগালো। অৱশ্যে অংকত যথেষ্ট এটা দখল আছিল বাবে বিজ্ঞানত পঢ়াৰ প্ৰবল হেঁপাহ আছিল। যিহেতু সেয়া সম্ভৱপৰ হৈ নুঠিল গতিকে Economics বিষয়টোকে বাছি ল'লো। যেতিয়া বায়ুসেনাত যোগদান কৰাৰ সুযোগ পালো কাৰিকৰী দিশটোত সোমাই যথেষ্ট জ্ঞান ল'লো। তাতে অংক বিষয় আৰু বিজ্ঞান বিষয়ত ৰাপ থকাৰ বাবে Flight Engineer পৰীক্ষাত অৱতীৰ্ণ হৈ উত্তীৰ্ণ হ'লো। লগে লগে ইন্টাৰভিউৰ অফিচাৰে ইন্টাৰভিউৰ শেষত থিয় দি ক'লে— Nath, You have become Flight Engineer। নিজৰ কথাখিনি ক'বলৈ ইমান ভাল নালাগে যদিও সোধাৰ বাবে ব্যক্ত কৰিলো।

নজৰুল/উৎপল : ভাৰতীয় বায়ুসেনা বাহিনীৰ এগৰাকী বিষয়া হিচাপে দেশৰ হকে সেৱা আগবঢ়াই থকা দিনবোৰৰ বহু ঘটনা-উপঘটনাই হয়তো আপোনাৰ স্মৃতিপটত এতিয়াও সজীৱ হৈ আছে। তাৰে যিকোনো এটা স্মৰণীয় ঘটনাৰ কথা আমাক ক'বনে ?

অধ্যক্ষ : ১৫ বছৰীয়া চাকৰি জীৱনত বহু স্মৰণীয় ঘটনা আৰু অভিজ্ঞতা আছে। যিহেতু ভাৰতৰ তামিলনাড়ু, গুজৰাট, কৰ্ণাটক, উত্তৰ প্ৰদেশৰ গাজিয়াবাদ, ৰাজস্থান, কেৰালা, গোৱা, চণ্ডীগড়কে ধৰি ভালেমান ঠাইত কাম কৰাৰ সুযোগ পালো। তাৰে ভিতৰত আজি মই উত্তৰ-পূৰ্বাঞ্চলতে ঘটা স্মৰণীয় ঘটনা এটাৰ কথা ক'ম। শেষৰ ৫ বছৰ মই ডিব্ৰুগড়ৰ চাবুৱাত আছিলো। সেই সময়ত আমি তদাৰক কৰো ভাৰত-চীন সীমান্তৰ এলেকাবোৰ। অৰুণাচলৰ টাৱাং এলেকাৰ ভাৰত-চীন সীমান্তত থকা ভাৰতীয় সেনাবাহিনীৰ শিবিৰবোৰত আমি খাদ্য আৰু সমৰ সামগ্ৰীবোৰ সৰবৰাহ কৰিছিলো। এবাৰ আমি টাৱাঙৰ পৰা তেজপুৰ হৈ চাবুৱালৈ উৰা মাৰিলো। টাৱাঙত তেতিয়া ফৰকাল বতৰ। তেজপুৰত যোগাযোগ কৰিলো, তাতো আকাশ ফৰকাল। হিচাপৰ তেল

ভৰাই লৈ আমাৰ সতীৰ্থ কেইজনক লৈ যাত্ৰা আৰম্ভ কৰিলো। সকলো ঠিকেই আছিল। হঠাতে আধাবাটত অৰ্থাৎ চেলা গিৰিপথত ক'ৰ পৰা কেনেকৈ ইমান মেঘ আহিল আমি উৱাদিহ নোপোৱা হ'লো। তেজপুৰ আৰু টাবাঙৰ লগত যোগাযোগ বিচ্ছিন্ন। কাৰণ Radio Communication কাম নকৰা হ'ল। ইফালে সময় গৈ আছে। নিৰ্ধাৰিত সময়ত আমাক যোগাযোগ কৰিব নোৱাৰাত কেউদিশে হুৱাদুৱা আৰম্ভ হ'ল। (পিছত গম পোৱামতে) তেতিয়া আমি দিশ ভুল কৰি ভূটানৰ আকাশত ঘূৰি ফুৰিছো। পথ বিচাৰি পোৱা নাই। একপ্ৰকাৰ আমি বুদ্ধিভ্ৰষ্ট, দিশহাৰা। বৰফাবৃত অঞ্চল। অতি সাৱধানেৰে সন্তৰ্পণে আমি সুৰুঙা বিচাৰিলোঁ যিকোনো প্ৰকাৰে অৱতৰণ কৰিবলৈ। এটা সময়ত লাহে লাহে আকাশখন ফৰকাল হ'বলৈ ধৰিলে। অৰুণাচলৰ ডিৰাং উপত্যকাত আমাৰ হেলিকপ্তাৰখন খেলপথাৰ এখনত নমাই দিলো। চাৰিওফালৰ পৰা মানুহ চাবলৈ ওলাই আহিল। চাহ-পিঠাৰে স্থানীয় লোকে যোগান ধৰিলে। খালো আৰু কিছু ভাব বিনিময় কৰিলো। ভঙা ভঙা অসমীয়া কয় লোকসকলে। আমাৰ সতীৰ্থ ভবানন্দ ৰয় আৰু মই অসমীয়াভাষী। মুঠ পাঁচজন আছিলো। সেই সময়তো ৰেডিঅ' বেতাৰ যন্ত্ৰই কাম কৰা নাছিল। কাষতে থকা এটা ডাক বঙলাত গৈ চেষ্টা কৰিছিলো যোগাযোগ কৰিবলৈ। কিন্তু বিফল হ'লো। তেজপুৰৰ পৰা ৬ খনকৈ উৰাজাহাজে আমাক বিচাৰি ফুৰিছে। এটা সময়ত বতৰ ভাল হ'ল আৰু বিয়লিৰ ভাগত তেজপুৰৰ স'তে যোগাযোগ হ'ল। তেজপুৰ পালো। সকলোৰে স্বস্তিৰ নিশ্বাস পেলালে। যিহেতু কেউফালে এক হুৱাদুৱা পৰিবেশ। তাৰ পিছত তদন্ত আৰম্ভ হ'ল। সকলোৰে ঠিকে ঠাকে উত্তৰ দিলো। এই ঘটনাটোৱে আজিও স্মৃতিপটত সজীৱ হৈ আছে।

নজৰুল/উৎপলঃ দেশ মাতৃৰ সুৰক্ষাৰ দৰে পবিত্ৰ কৰ্মত নিয়োজিত থাকি আপোনাৰ কেনে লাগিছিল? নিজকে সৌভাগ্যবান বুলি ভাবিছিল নে দেশৰ সুৰক্ষাৰ বাবে সেৱা আগবঢ়াবলৈ সুযোগ পোৱাৰ বাবে?

অধ্যক্ষ ঃ নিশ্চয়, মই গৌৰৱ অনুভৱ কৰো। এতিয়াও মই মোৰ বন্ধু মহলৰ মাজত ভাৰতীয় বায়ুসেনাৰ গুণানুকীৰ্তন কৰি থাকো।

নজৰুল/উৎপলঃ আমি জনাত ভাৰতীয় বায়ু সেনা বাহিনীত নিষ্ঠাসহকাৰে দায়িত্ব পালন কৰি আপুনি প্ৰাইভেটকৈ পৰীক্ষা দি ডিষ্টিংচন সহ স্নাতক হোৱাৰ উপৰিও অসমীয়া আৰু ইংৰাজী দুয়োটা বিষয়তে স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিছিল। আপোনাৰ এই অধ্যয়ন স্পৃহাৰ আৰৰ শক্তি ক'ব নেকি?

অধ্যক্ষ ঃ আৰৰ শক্তি বুলিবলৈ বিশেষ একো নাই। পূৰ্বে কিছু কথা উল্লেখ কৰিছো। পঢ়াৰ যিহেতু অদম্য হেঁপাহ আছিল। কিন্তু আৰ্থিক দৈন্যতাৰ বাবেহে চাকৰিত সোমালো পঢ়া আধৰুৱা কৰি। পৰৱৰ্তী সময়ত যেনিবা আৰ্থিকভাৱে যিহতু সকাহ পালো সেই সূত্ৰে প্ৰাইভেটকৈ হ'লেও মনৰ হেঁপাহ পুৰ কৰিলো।

নজৰুল/উৎপল ঃ ভাৰতীয় বায়ু সেনা বাহিনীত মুঠ ১৫ বছৰ সেৱা আগবঢ়াই তাৰ পৰা ওলাই আহি আমি জনাত আপুনি কেবাটাও লোভনীয় চাকৰি পাইছিল। সেয়া নকৰি আপুনি কিহৰ তাড়নাত ন্যুনতম দৰমহাৰ বিনিময়ত অপ্ৰাদেশীকৃত কলেজখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হৈ এটা কণ্টকময় পথ বাছি লৈছিল। আপোনাৰ জীৱনৰ মুঠ ২২ টা বছৰ আপুনি একপ্ৰকাৰ উছৰ্গা কৰিলে এই মহাবিদ্যালয়খনৰ স্বাৰ্থত। এতিয়া বাৰু আপুনি নিজৰ জীৱন আৰু কৰ্মক লৈ সন্তুষ্ট নে?

অধ্যক্ষ ঃ একেবাৰতে ক'ম মই সন্তুষ্ট বুলি। ভাৰতীয় বায়ুসেনাত ১৫ বছৰ চাকৰি কৰি যেতিয়া ঘৰলৈ উভতি আহিলো, তেতিয়া শ্ৰদ্ধাৰ দি পন চন্দ্ৰ নাথে মোক লগ পালেই সোধা হ'ল— তই এম. এ. টো পাছ কৰিলিনে? যেতিয়া এম এ পাছ কৰা বুলি জানিলে মোক বেলেগ চিন্তা কৰিবলৈ বাধা দিলে। এতিয়া কলেজ খুলিম। গতিকে তই ইয়াতে সোমাব লাগিব। সেইমতে ৰাইজে মোক এই দায়িত্ব অৰ্পণ কৰিলে যেনিবা। প্ৰথমে প্ৰত্যাহ্বান আছিল যদিও পিছলৈ হেলাৰঙে পাৰ কৰিলো। গতিকে মই সন্তুষ্ট আৰু গৌৰৱ অনুভৱ কৰো। কাৰণ বায়ুদূত আৰু পৱনহংস এয়াৰলাইন্সত হেলিকপ্তাৰৰ Flight Engineer ৰ বাবে যোৱাৰ সুযোগ পাইছিলো যদিও নগ'লো।

ইয়াতে ৰাইজৰ লগত থকাৰ কথা ভাবিলো। যিহেতু শিক্ষকতাই মোৰ জীৱনৰ লক্ষ্য বুলি প্ৰথমতেই কৈছোঁ।

নজৰুল/উৎপল ঃ বেয়া নাপায় যদি এটা অন্য কথা সুধিব পাৰো নেকি? মানে, আপোনাৰ এখন চাইকেল আছিল। সকলোৱে জানে, সেনা বাহিনীত থাকোতেই লোৱা সেই চাইকেলখনৰে প্ৰায় ১২ টা বছৰ আপুনি মহাবিদ্যালয়লৈ অহা-যোৱা কৰিছিল। বহুত মৰমৰ চাইকেল আছিল সেইখন আপোনাৰ, সেয়া নকলেও অনুমান কৰিব পাৰি। কিন্তু চাইকেলখনক অঞ্চলৰ সকলোৱে 'কাৰ্গিল' বুলি কয়। কিয় কয় জনাবনে?

অধ্যক্ষ ঃ কাৰ্গিল নামতো প্ৰথমে ক'ৰ পৰা কেনেকৈ আহিল সেইটো ঠিক মই ক'ব নোৱাৰিম। পিছলৈ অৱশ্যে মই নিজেই জানিলো কাৰ্গিল নামটো ক'ৰ পৰা আহিল। প্ৰথম প্ৰশিক্ষণত ভাৰতীয় বায়ুসেনাত থাকোতে চাইকেলৰ কথাই নাহে। দ্বিতীয়বাৰ প্ৰশিক্ষণৰ সময়তহে ৪১২ টকাত সেই চাইকেলখন ক্ৰয় কৰিছিলো। যলৈকে বদলি হৈছিলো তালৈকে মই সেই চাইকেলখন কঢ়িয়াই নিছিলো। যেতিয়া মই ঘৰলৈ ১৯৯২ চনত আহিলো চাইকেলখনো লৈ আহিলো। তেতিয়াই কলেজখনো প্ৰতিষ্ঠা হ'ল। প্ৰতিষ্ঠা হোৱাৰে পৰা সেই চাইকেলখনেৰে প্ৰায় ১২ টা বছৰ মহাবিদ্যালয়ৰ কাম কাজত ঘূৰি ফুৰিছিলো অঞ্চলটোত। এইখিনিতে মই জীৱনৰ আচল অভিজ্ঞতাৰ কথাটো ক'ম। যি সময়ত মই ভাৰতীয় বায়ুসেনাত থাকিলো সেই ১৫ বছৰত যুদ্ধৰ কোনো সোৱাদ নাপালো। মোৰ অন্তৰত গভীৰ আক্ষেপ থাকি গ'ল। অদম্য হেঁপাহ আছিল যুদ্ধত চামিল হোৱাৰ। পিছে যুদ্ধ নাপালো। তেনেতে ১৯৯৯ চনত কাৰ্গিল যুদ্ধ আৰম্ভ হ'ল। ভাবিছিলো মোকো যদি Recall কৰিলেহেঁতেন, ভগৱানৰ ওচৰত প্ৰাৰ্থনাও কৰিছিলো যুদ্ধখন পোৱাৰ বাবে। কিন্তু দুৰ্ভাগ্য, নাপালো। সেই সময়ত মই মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠানবোৰত প্ৰায়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ 'কত জোৱানৰ মৃত্যু হ'ল, কাৰ জীৱন-যৌৱন গ'ল, সেই মৃত্যু অপৰাজেয়...' সেই জনপ্ৰিয় গীতটি গাইছিলো। কেন্দ্ৰবিন্দু আছিল কাৰ্গিল যুদ্ধ। কাৰ্গিল যুদ্ধই মোক আগৰ বহু স্মৃতি ৰোমন্থন কৰোৱাইছিল। প্ৰায়ে সেই যুদ্ধৰ কথা আওৰাইছিলো ছাত্ৰ-ছাত্ৰীৰ মাজতো। খুবেই উচ্চাৰণ হৈছিল কাৰ্গিল যুদ্ধৰ কথা। হয়তো সেই আলম লৈয়ে চাগে মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলে মোৰ চাইকেলখনৰ নাম কাৰ্গিল বুলি কোৱা হ'ল। তাৰপিছৰে পৰাই কাৰ্গিল নামেৰে জনপ্ৰিয় হ'ল মোৰ ৪১২ টকীয়া সেই চাইকেলখন। আজিও মনত পৰে।

নজৰুল/উৎপল ঃ সুদীৰ্ঘ ২৫ বছৰ ধৰি অত্যন্ত সততাৰে আৰু নিষ্ঠা সহকাৰে মহাবিদ্যালয়ৰ অধ্যক্ষ পদত থাকি আপুনি মহাবিদ্যালয়খন গঢ়াৰ লগতে মায়ং তথা মৰিগাঁও জিলাৰেই নহয় অসমৰ শৈক্ষিক ক্ষেত্ৰখনলৈ সাধ্যানুসাৰে আপুনি অৱদান আগবঢ়াইছে। আপোনাৰ এনে নিস্বাৰ্থ গতিশীল কৰ্মৰ হেতু চৰকাৰ বা অন্য কোনো অনুষ্ঠান-প্ৰতিষ্ঠানে আপোনালৈ ৰাজহুৱা স্বীকৃতি প্ৰদান কৰিছেনে?

অধ্যক্ষ ঃ কি অৱদান আগবঢ়াইছো মই নিজেই নাজানো। মই কৰা কামখিনিৰ বাবে কিবা বঁটা বা স্বীকৃতি পোৱাৰো যোগ্য বুলি মই নিজকে বিবেচনা নকৰো। গীতাৰ কৰ্ম যুগত উল্লেখিত— 'কৰ্মতহে তোমাৰ অধিকাৰ আছে, ফলত নাই' এই শ্লোকটিয়ে মোক সদায় কৰ্তব্যৰ প্ৰতি উদ্বুদ্ধ কৰে। সেইমতেই কৰ্মত ব্ৰতী হৈছো, ফলৰ আশা কোনোদিনে কৰা নাই। তথাপি যোৱা ২০১৬ চনত Modern Immense Need Development Society (MINDS), Delhi নামৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বেচ্ছাসেৱী সংস্থাটোৱে এক গুৰুত্বপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে ড° এ পি জে আব্দুল কালাম সন্মাননা বঁটা প্ৰদান কৰে মোক। গুৱাহাটীস্থিত হোটেল ব্ৰহ্মপুত্ৰ অশোকত ৰাজ্যসভাৰ মাননীয় সাংসদ বিশ্বজিৎ দৈমাৰীৰ হাতেৰে এই বঁটা গ্ৰহণ কৰো। এই বঁটাই মোক নিশ্চয়কৈ কিছু অনুপ্ৰাণিত আৰু উৎসাহিত কৰিছে।

নজৰুল/উৎপলঃ আপুনি এজন দেশৰ সেৱক, এগৰাকী শিক্ষক, এগৰাকী দক্ষ্য সমাজসেৱক, দক্ষ্য অভিনেতা আৰু ভাল শিল্পীও আৰু লগতে এজন ভাল ডবা খেলুৱৈও। অভিনেতা, গায়ক আৰু দবা খেলুৱৈ হিচাপে আপোনাৰ

অভিজ্ঞতাৰ বিষয়ে আমাক অলপ আভাস দিব নেকি?

অধ্যক্ষ : তেনেকুৱা অনুভৱ বুলিবলৈ নাই। ইয়াতে সুদক্ষ বুলি শব্দটো প্ৰয়োগ কৰা হৈছে যদিও মোৰ আপত্তি আছে। কাৰণ মই কোনো এটা দিশতে সুদক্ষ নহয়। অভিনয়, ডবা, শিল্পী, বক্তা এইবিলাক বিশেষণ পোৱাৰ মই কোনো যোগ্য নহয়। অভিনয় কৰি ভাল পাও কাৰণে দুই এখন নাটকত অভিনয় কৰিছিলো। বক্তা বুলিবলৈ দুই এখন সভা-সমিতিত ভাষণ দিছিলো। সংস্কৃতিৰ লগত জড়িত কাৰণে কেতিয়াবা দুই এটা গান গাঁও। চখ আছিল কাৰণে এইবোৰ কৰিছিলো। এনেদৰে সকলো বিষয়ৰ স'তে জড়িত হৈ থাকি মই ছাত্ৰ সমাজক এটা মেচেজ দিব বিচাৰিছো। কেৱল অধ্যয়নটোৱেই শেষ নহয়। অধ্যয়নৰ লগত আনুষংগিক গোটেইকেইটা দিশ অৰ্থাৎ সমাজসেৱা, সংগীত, অভিনয়, খেল-ধেমালি, সংস্কৃতি এই সকলোবোৰ ছাত্ৰ জীৱনতেই আহৰণ কৰাটো উচিত। ছাত্ৰ-ছাত্ৰীসকলে যাতে নিজকে অকণমান হ'লেও সকলো দিশতে জড়িত কৰি ৰাখে সেই কথাটোকে মই এই মুহূৰ্তত ক'ব বিচাৰিছো, কাৰণ এইবোৰ অভিজ্ঞতাই মানুহক জীৱনবোধ শিকায়।

নজৰুল/উৎপলঃ অধ্যক্ষৰ কামকাজৰ ব্যস্ততাৰ মাজতো আপুনি মহাবিদ্যালয় আৰম্ভৰ প্ৰথম দহ বছৰলৈ নিয়মীয়াকৈ শ্ৰেণীকোঠাত পাঠদানো কৰিছিল? সেই বিষয়ে আপোনাৰ অনুভৱ ব্যক্ত কৰিব নেকি?

অধ্যক্ষ : হয়, যিথিনি সময়ত মায়ং আঞ্চলিক কলেজ আৰম্ভ হৈছিল সেই সময়ত পাঠদান দিবলৈ শিক্ষক নাপাও। কাৰণ যাতায়াত ব্যৱস্থা অত্যন্ত দুৰ্গম আছিল। যিকেইজন আছিল সেইকেইজনকো সময়মতে মাননি দিব পৰা নাছিলো। বহু কেইবছৰলৈ ইংৰাজী শিক্ষক নাছিল আমাৰ কলেজত। ইংৰাজীৰ মানুহ হিচাপে শ্ৰেণীত সেয়ে ইংৰাজী পঢ়ুৱাব লগা হ'লো। পঢ়ায়ো খুব ভাল পাইছিলো। নিশা ১১-১২ বজালৈ অধ্যয়ন কৰি পিছদিনা নিজেই শ্ৰেণীত সোমাই পাঠদান কৰিছিলো। কবিতাৰ প্ৰতি দখল নহয় ঠিক যথেষ্ট ৰাপ আছিল মোৰ। যেতিয়া শিক্ষক নাথাকে মই নিজেই কবিতাৰ উপৰিও গদ্য, নাটক আৰু উপন্যাসো পঢ়াইছিলো। কলেজৰ কামত কেতিয়াবা অফিচত যাবলগা হ'লে সেইদিনাৰ ক্লাছটো পিছদিনা হ'লেও লৈছিলো। এনেদৰেই মই আৰম্ভণীৰ সময়ছোৱাত প্ৰায় দহটা বছৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষাদান দি আহিছিলো। এইখিনিতে এটা কথা ক'বই লাগিব, মই যেতিয়া ক্লাছত সোমাইছিলো সদায় থিয় হৈ পাঠদান দিয়াৰ চেষ্টা কৰিছিলো। কেতিয়াও চকীত বহি ক্লাছ কৰা নাছিলো। এতিয়াও মোৰ ক্লাছ কৰাৰ ইচ্ছা প্ৰবল আছে। কিন্তু ব্যস্ততাৰ বাবে সময় মিলাব নোৱাৰা হৈছো। ক্লাছ কৰি থকা সময়ৰ চোকা তৰোৱালত যেন এতিয়া মামৰে ধৰিব খুজিছে। সুবিধা পালেই যেন আকৌ ক্লাছ কৰিম।

নজৰুল/উৎপলঃ আমি জানিব খুজিছো মহাবিদ্যালয় অধ্যাপক/অধ্যাপিকা সকলৰ পৰা আপুনি কি আশা কৰে। তেখেতসকল কেনে হোৱাটো আপুনি বিচাৰে?

অধ্যক্ষ : মহাবিদ্যালয়ৰ প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকাৰ পৰা মই এটাই বস্তু বিচাৰিম, সেয়া হ'ল উপযুক্ত পাঠদান। এখন মহাবিদ্যালয় সকলো ফালৰপৰা উন্নত হ'বলগা হ'লে পাঠদান আৰু পাঠগ্ৰহণ। এইটোৱে হ'ল এক নম্বৰ বস্তু শিক্ষানুষ্ঠানৰ বাবে। কলম ভালেই যিহেতু আখৰ ভাল, গতিকে শিক্ষক ভালেই ছাত্ৰ ভাল। শিক্ষকসকলে বৰ্তমানৰ যি Curriculum সেই Curriculum ৰ মাজত নিজকে খাপ খুৱাব লাগিব। আগৰ সময়ৰ লগত বৰ্তমানৰ পাঠ্যক্ৰমৰ মাজত যথেষ্ট তফাৎ আছে। পৰিবৰ্তিত নতুন পাঠ্যক্ৰমৰ পৰা যিহেতু ছাত্ৰ-ছাত্ৰীক পাঠদান দিব লাগিব সেয়েহে শিক্ষকসকলে নিজে গভীৰ অধ্যয়ন কৰিব লাগিব। বিশ্ববিদ্যালয়ত Refresher Course ৰ ব্যৱস্থা আছে যিহেতু, শিক্ষকসকলে সেয়া আপডেট কৰি ৰখাটো ভাল। আমাৰ মহাবিদ্যালয়ৰ শিক্ষকসকল এইক্ষেত্ৰত যথেষ্ট আগ্ৰহী। গতিকে অনাগত দিনত মই

অধিক আশা কৰিম। ভাল খবৰ, আমাৰ শিক্ষকসকলৰ প্ৰায়ভাগৰে O.P. হৈছে। R.C ও ২-৩ জনে কৰিছে। আৰু বেছি R.C. কৰাৰ বাবে মই সকলোকে উৎসাহ যোগাই আহিছো।

নজৰুল/উৎপল ঃ আপোনাৰ ব্যক্তিগত জীৱনক লৈ দুটামান কথা সুধিব বিচাৰো। আপোনাৰ শৈশৱ, যৌৱনৰ বিষয়ে চমুকৈ ক'ব নেকি?

অধ্যক্ষ ঃ শৈশৱ বুলিবলৈনো কি ক'ম। মই মায়ং হায়াৰ ছেকেণ্ডাৰীতে লিখা পঢ়া কৰিছিলো। যেতিয়া বিদ্যালয়ত ৯.৪৫ বজাত বেল টং টংকৈ বাজি উঠে গা ধুবলৈ দৌৰ মাৰো। খাবলৈতো নাপাওৱেই কেতিয়াবা, চোলা-পেন্ট পিন্ধি বিদ্যালয়ত উপস্থিত হৈ প্ৰাৰ্থনাত অংশ লও। বিদ্যালয়লৈ যোৱাৰ আগে আগে হোমৱৰ্কখিনি কৰো। বেছিভাগ ৰাতিয়েই কৰি থও। আৰ্থিকভাৱে যিহেতু দুৰ্বল আছিলো গতিকে ইমান হলি গলি নাছিল আনৰ স'তে। মাৰ্বল খেলিও পাৰ কৰিছিলো শৈশৱৰ কিছু সময়। যৌৱনৰ কিছু অংশ কলেজতে পাৰ কৰিলো। হীনমন্যতাই সেই সময়ত মোক কিছু কামৰ পৰা আঁতৰাই ৰাখিছিল। আজিকালি হীনমন্যতা বুলিবলৈ ইমান নাভাবো। ঠাণ্ডাৰ দিনত মোৰ ছুৱেটাৰ নাছিল পিন্ধিবলৈ। লগৰবোৰে ছুৱেটাৰ পিন্ধি আহিও শ্ৰেণীত কঁপি থাকে। কিন্তু আমাৰ ছালবোৰ একপ্ৰকাৰ ডাঠ হৈ গৈছিল। যাৰ কাৰণে ঠাণ্ডানো কি ধৰিবই নোৱাৰিলো।

নজৰুল/উৎপলঃ সকলো পুৰুষৰ সাফল্যৰ আৰত এগৰাকী নাৰীৰ অৱদান লুকাই থাকে। এই ক্ষেত্ৰত আপোনাৰ আঁৰত কোনগৰাকী নাৰীৰ কথা মনলৈ আহিছে।

অধ্যক্ষ ঃ একেবাৰে চমু উত্তৰ। সফল ব্যক্তিৰ আঁৰতহে কোনোবা নাৰীৰ প্ৰেৰণা লুকাই থাকে। আমি যিহেতু সফল নাছিলো গতিকে তেনেধৰণৰ কথাই আহিব নোৱাৰে।

নজৰুল/উৎপলঃ এইবাৰ একেবাৰে ব্যক্তিগত কথাটো সুধিব খুজিছো। আপোনাৰ প্ৰেম?

অধ্যক্ষ ঃ মই এজন জধলা মানুহ। আৰ্থিকভাৱে চেপা খোৱা মানুহ। এইবিলাক বিষয়ত মন মেলিবলৈ নাই। যেতিয়া মৰিগাঁৱলৈ পি. ইউ. পঢ়িবলৈ যাও, এটা চিগা পায়জামা আৰু চেক দিয়া ছাৰ্ট। সদায় পিছৰ ফালে বহি থাকো। শিক্ষকে কি পঢ়ায় তাতেহে মনোযোগ দিছিলো। ছাত্ৰ জীৱনৰ আটাইতকৈ সেইটোহে প্ৰধান কৰ্তব্য। সাজ-পোছাকত যিহেতু জধলা আছিলো। নিজে সদায় হীনমন্যতাত ভুগি থাকো। গতিকে মোৰ ওচৰত কোনেও মাতিবও নাহে, বন্ধুত্ব পাতিবলৈও নাহে। মইনো কিয় যাও বুলিয়েই হাত সাবটি বহি থাকো। তাৰ পিছত প্ৰেমৰ কথা আহে বুলি প্ৰশ্নই নাহে।

নজৰুল/উৎপল ঃ ভৱিষ্যতে কিবা ৰাজনীতি বা অন্য কিবা দিশত সোমাৰ কথা ভাবিছে নেকি?

অধ্যক্ষ ঃ মই ৰাজনীতিৰ কথাটো একেবাৰে ভবা নাই। অৱশ্যে Man is by born is a Political being. ৰাজনীতিটো থাকিবই সোমায়, কিন্তু পৰোক্ষভাৱে। আনহাতে শিক্ষা জগতখনত যিহেতু বেছিভাগ সময় কটালো এই দিশতে ৰাপ আছে। অৱসৰ পোৱাৰ পাছতো শিক্ষাৰ লগত জড়িত কিবা কামতে লাগি থাকিম বুলি ভাবিছো। কিন্তু কি কৰিম এতিয়াই সিদ্ধান্ত কৰা নাই। Option কেইবাটাও।

সাক্ষাৎ গ্ৰহণ ঃ **নজৰুল ইছলাম আৰু ড° উৎপল নাথ।**

# কবিতামালা

## শব্দৰ বৰষুণ

# মায়ং বন্দনা

প্ৰয়াত ৰমেশ চন্দ্ৰ নাথ

দেৱতাৰ ৰম্যস্থান মায়া ৰাজ্য তুমি।
সৰ্বগুণে অলঙ্কৃত বিকশিত ভূমি।।
আদ্যাশক্তি মহামায়া বিচৰণ য'ত।
অনাচাৰ অবিচাৰ থাকে বাৰু ক'ত।।
সৰ্ববিঘিনি নাশক পুত্ৰগণ পতি।
চাৰি চুকে চাৰি মূৰ্ত্তি আছে খুটিপুতি।।
পাতিলে মনুষ্যে তাতে বহল সমাজ।
ভাল মণ্ড চিনি নিজে কৰে নিজ কাজ।।
মায়াৰ অজ্ঞাতে হ'ল মন্ত্ৰৰ সাধনা।
মায়ং নামে মায়া ৰাজ্য জিলিকে অধুনা।।
ৰজা আছে প্ৰজা আছে কৰে অবহেলা।
ৰাজ চ'ৰাত পাতে বিহুৰ মহামেলা।।
ঘুনুচা যাত্ৰাৰ অন্তে কৃষ্ণ আহে ঘূৰি।
গড় ভাঙি প্ৰৱেশে নিজ অন্তেষপুৰী।।
দৌল যাত্ৰাৰ লগতে ফাকু হোলি খেলা।
হোলিগীত, লোকগীত সিও অবহেলা।।
কালশিলা পাৰে আছে সত্ৰ যে প্ৰধান।
কালৰ গতিত তাৰো নাপাওঁ উমান।।
কীৰ্ত্তনী ৰামায়ণ ৰচক অনন্ত ঠাকুৰ।
নাই ক'তো চিন চাব নাই আঁতগোৰ।।
কাছশিলাত দৃশ্যমান সেইয়া যোনীপীঠ।
হৰগৌৰী মিলনৰ গায় যেন গীত।।
বহুকাল বহুজাতি, উপজাতি থাকি।
লোকাচাৰ সদাচাৰ থই গ'ল আঁকি।।
অনাবৃষ্টি হৈ মাটি কৰিলে শুকান।
ভেকুলীৰ বিয়াপাতি মাতে বৰষুণ।।
নৌকাখন্দা উৎসৱত ঢেঁকী চুৰ কৰে।
বিশ্বাস আছিল তাতে বৰষুণ পৰে।।
শীল কাল নৃত্যগীতে মহ খেদি দিয়ে।
নহলেযে মানুহৰ তেজ শুহি নিয়ে।।
বসন্ত ওলালেই শীতলা নাম গায়।
মহামায়া সাতভনী থিতাতে পলায়।।
আৰু আছে মাল পূজা উৎসৱ প্ৰধান।
মহামায়াৰ নামতে কৰে গুণগান।।
কাৰ্বিগীত, লোকনৃত্য কিয়নো এৰিলে।
তৰোৱাল ঢালত দেখো মামৰে ধৰিলে।।
পাচতি নামত হয় দধিমথন নাচ।
তিৰী মুনিহ সবাৰো ভিন্ ভিন্ ঠাচ।।
ওজাপালি, ময়ুৰ চালি কিয়বা লুকাল।
দৰঙী নাগাৰাৰ ধ্বনি, কেতিয়া ঢুকাল।
অঙ্কীয়া নাটত ওলাই নাচে সুত্ৰধাৰ।
গীত ৰাগ ভটিমাৰে প্ৰধান আধাৰ।।
শিলডুবি বহুৱা, হাতীমূৰীয়া ঢোল।
কালী বজাই বুঢ়ামায়ং চিত্ ব্যাকুল।।
ৰজামায়ং গঙ্গাধৰে বায় কৰতাল।
বাৰোবাৰী বাৰিকাৰ হৰিধ্বনি পাল।।
তাৰ পিচে দুবৰিতলী মাছ ধৰে যায়।
পঞ্চদেৱৰ নাম লৈ ভোজভাত খায়।।
হিলৈখুন্দাৰ মূৰত আছে নৃসিংহ আশ্ৰম।
বৈৰাগী আশ্ৰমত দেখো বয় প্ৰস্ৰবন।।
বুঢ়ী আই, কেঁচাইখাতী য'ত মানে থান।
ভাগৰতীৰ পাছতহে কৰে পূজা আন।।
মূহি ওজা নাই আজি বাঘ কোনে বান্ধে।
পাহজাল নাই কোনে জালিঘৰ সাজে।।
আসুৰিক দৰৱ নাই পাবলে আজি।
মৰিল সকলো বৈদ্ শেষ পুথি পাজি।।
মাছপুঠি শেষ প্ৰায় সকলো টুটিল।
পাল পাল পহু হাতী বননি কমিল।।
পবিতৰা বনে আছে এশিঙীয়া গড়।
তাৰেই গুণতে তুমি মৰিও অমৰ।।
কৃষক, বণিক, শিল্পী, শিপিনীৰ কাম।
দিনে দিনে কমি গ'ল ক'ত দেখা পাম।।
ইসব অলঙ্কাৰ ধুই পিন্ধিবৰ হ'ল।
নতুবা আমাৰ কৃষ্টি ৰসাতলে গ'ল।। ◆◆

# ধুমুহাজাক গান আছিল

ড° নন্দ সিং বৰকলা

ধুমুহাজাক গান আছিল, গানবোৰ মানুহৰ মুখ
গানৰ ভৰত নৈৰ সোঁত, কুঁৱলিৰ ঘাম, তেজত তিতা মাত, ৰত্নাকৰৰ হাতৰ নখ,
হাঁ, পোহৰৰ যুঁজ-সেউজীয়া হৈছিল
ধুমুহাজাক জীৱনৰ মায়া এৰিব নোখোজা গান আছিল

তুমি যিদিনা কঁহুৱাৰ বগাৰে শৰতৰ লুইতখনক গামোছা কৰি
গানৰ সভাত অশান্ত মনক সুৰৰ ধাৰাসাৰ বৰষুণত তিতাইছিলা,
কাজিৰঙাত বন্য সভ্যতা পঢ়িছিলা,
মানুহক মানুহে প্ৰসাধন কৰাৰ বাটৰ পৰা বুটলি আনিছিলা জীৱনৰ বাটলৈ
আন্ধাৰৰ পৰা জোনাকলৈ, দুৰ্যোধনৰ সময়ৰ পৰা যুধিষ্ঠিৰৰ সময়লৈ,
ভীষ্মক শৰশয্যাৰ পৰা তুলি আনিবলৈ,
কুৰুক্ষেত্ৰক কেৱল পাঞ্চজন্য শংখৰ মাত নকৰি
মৃত্যু ক্ষেত্ৰৰ ভয়ৰ ক'লা কাপোৰ আঁতৰাই
নতুন পৃথিৱী কৰিবলৈ তোমাৰ কণ্ঠক সেউজীয়া কৰিছিলা
মানুহৰ বুকুৰে বুকুৰে ধুমুহাজাক গান হৈছিল
মদাৰৰ জুঁইত হাত সেকি মানুহক মানুহ কৰাৰ যজ্ঞত শব্দ সিঁচি
দানৱৰ হাতৰ পৰা আন্তৰিক শক্তিক টানি আনি
অ-শা-ন্ত, প্ৰ-শা-ন্ত শান্ত কৰাৰ কলাত মজি থাকোতে
সেইদিনা লুইতৰ পাৰত জিলিকাব খোজা সাঁচিপাত, ৰংঘৰত
গানবোৰ ধুমুহা হৈছিল,

লখিমী পথাৰত পোৱা ব'হাগ— যেনিয়ে চাওঁ তেনিয়ে
বিদ্যুৎ ক্ষীপ্ৰ মৌন মানুহক তোমাৰ গানত দৃষ্টি দিয়াৰ আহ্বান
মৃত্যুৰ পৰা জন্মলৈ, জন্মৰ পৰা মৃত্যুলৈ— কি-মা-ন দূৰ?
মৃত্যু নে জন্ম কোনটো বেছি সত্য,
মৃত্যু ৰ'ব নোৱাৰে, নোৱাৰে ৰ'ব জন্ম
এটুপি চকুলোৰে সেৰজোখে কিনা মানুহৰ মঙহত
জুই জ্বলে, মন্ত্ৰ পঢ়ে, পূজাৰ মন্ত্ৰ

দানৱৰ খোজত যদি মানুহৰ প্ৰতিধ্বনি হয়, লাজত তিতিব কোন?
মানুহৰ মাতত যদি দানৱৰ ইতিহাসে চিঞৰে,
বাল্মীকি আকৌ যদি ৰত্নাকৰ হয়,
মানুহে মানুহক বেচিব খুজি যদি নিজৰেই মৃত্যু মাতে
গংগা, ভল্গা, মিচিচিপি, পদ্মা, লুইতৰ পাৰে পাৰে

মহা মহা জীৱনৰ বন্তি নুমাই হেৰাই যাব মানুহৰ মাত,
উদাৰতা বিলোৱা বিশাল আকাশ তিতিব দুখত
লুইত শুকাব, দিখৌ, দিহিং, আবুঙহৈ জংকে-পানেইৰ প্ৰেমত নব'ব মহাবাহু
গানৰ স'তে হেৰাই গ'ল এক সঁচা উদাৰতা— মানুহৰ বজাৰত মানুহৰ বেচা-কিনা
চিতা জুইত মুখাগ্নি নকৰা ৰংমনহঁতৰ কণ্ঠৰ পৰা নিখোজ হ'ল আত্মাৰ গানৰ সুৰ

বতাহত জ্বলিছে তুমি আঁকিব খোজা বক্ষৰ ইপাৰ-সিপাৰৰ ৰং
গলিছে মমৰ দৰে মানুহৰ হাত, গছবোৰ জঁই পৰি শোকত তিতিছে বতাহৰ বোঁ-বোঁৱনি
বুকুৰে বুকুৰে কিবা বিষাদগাঁথাত গোটেইখন উদং উদং পৃথিৱী
সুন্দৰৰ সৰুৱৰ আলিয়ে আলিয়ে
সুধাকণ্ঠৰ বাবে নুফুটা আৰ্তনাদ এটা ঘূমৰি ফুৰিছে

মাজুলী, গুৱালকুছি, হাজো, পলাশবাৰী, বৰপেটা, দিচাংমুখ, ডিফু, মঙলদৈ, বৰাক
শিৱসাগৰ, শদিয়া, তেজপুৰ, বৰকলা, হাদিৰাচকী, শৰাইঘাট, খেলমাটি
দুখত আকৌ তিতাবে পৰা ব'হাগৰ মহুৰা নুঘুৰা হ'ল,
তেলিয়া সাৰেং, শবালি, বালিমাহীৰ খোজবোৰ নিঠৰ হ'ল,
ঠিকনা নোহোৱা হ'ল মাৰ্কটুৱেনৰ, বে-ৰং হ'ল চিকাগো
গৰ্কিৰ ছবিবোৰ ধূসৰ হ'ল, আটোৱা, অষ্ট্ৰিয়া পেৰিছৰ চিত্ৰৰত
গালিবৰ শ্বেৰ দুশ্বম্বেৰ মিনাৰত স্তব্ধ হ'ল

চৰাইবোৰ উৰিব নোৱাৰা হ'ল, জোনাক বিষাদ হৈ চামাংকান ধূসৰ হ'ল,
বিজুলীৰ স'তে আকাশখন ক'লা হ'ল,
স্নেহৰ শত শাওন কেনি গ'ল
লুইতৰ চাপৰিত সাউদৰ ডিঙৰা নোহোৱা হ'ল,
বিষ্ণু, জ্যোতি, লক্ষ্মীনাথ, পল ৰবচনৰ ৰূপকাৰ হেৰাই গ'ল,
মুমূৰ্ষু মানুহৰ বিদ্যুত জীৱনত বৰষুণ নপৰা হ'ল,

ইমান মানুহ— শদিয়া, ধুবুৰী, নিজৰাপাৰ, জজফিল্ড, জালুকবাৰীয়ে
কান্দিব নোৱাৰা হ'ল, হাঁহিব নোৱাৰা হ'ল
মৃত্যুক সাবটি গোটেইখন মৰিশালি হ'ল

তোমাৰ ৰথৰ জয়ধ্বজা সেউজীপাৰৰ কত কথা, চিৰচেনেহী ভাষা জননীৰ বিশ্বযাত্ৰা,
বেলশৰৰ শ্বহীদৰ তেজ, তিৰাশীৰ জুই
যাঠিৰ যন্ত্ৰণা, বাসন্তিৰ নিষ্ঠুৰতা, মান-অপমান গানৰ সভাত সকলো মোলান পৰি গ'ল

ধুমুহা জাক গান আছিল, বাগৰুম্বা, ঝুমুৰ, দেওধ্বনি, সত্ৰীয়া নৃত্য আছিল
ধুমুহা জাক বৰষুণ হৈ জীৱনৰ বাটে বাটে
আকাশৰ দৰে বিশাল, বৰ্ণিল আৰু বৰ্ণাঢ্য আছিল

ধুমুহা জাক জীৱনৰ মায়া এৰিব নোখোজা গান আছিল। ◆◆

# নিঃসংগতা বিষয়ক

**নীলিম কুমাৰ**

মানুহ যেনেকৈ কেতিয়াবা অকাৰণতে অকলশৰীয়া হৈ পৰে
ঠিক তেনেকৈ পখিলা এটিও কেতিয়াবা অকাৰণতে
অকলশৰীয়া হয়। চৰাই এটিও তেনেকৈ অকলশৰীয়া হয়।
তেনেকৈ অকলশৰীয়া হয় হাবিৰ কোনোবাটো জন্তু
আনকি অৰণ্যৰ অজস্ৰ গছৰ মাজৰ এজোপা গছো
অকলশৰীয়া হৈ পৰে কেতিয়াবা।
এটি ক্ষুদ্ৰ পৰুৱা, মানুহৰ দৰে সিও কেতিয়াবা
অকলশৰীয়া হৈ পৰে কোনোবাটো চুকত বৈ থাকে নিৰবে।

মানুহ অকলশৰীয়া হোৱাৰ দৰে
নদীও কেতিয়াবা অকলশৰীয়া হয় নিজৰে বুকুত
খেলি থকা মাছবোৰক কেতিয়াবা নদীখনৰ নিজৰে ভাল নালাগে।
বৈ যাবৰ মন নোযোৱা হয় অথচ বৈ থাকিব লাগে।
সাগৰকো সদায় অকলশৰীয়া যেনেই লাগে। যিদৰে
জোন অকলশৰীয়া। বেলি অকলশৰীয়া
তৰাবোৰৰ মাজৰ কোনোবাটো তৰা নিশ্চিতভাৱেই
অকলশৰীয়া

অকলশৰীয়া হোৱাটো এবিধ সৌন্দৰ্যই
ই কেৱল মানুহৰ বাবেই নহয়।
কোনে কেতিয়া কিয় অকলশৰীয়া হৈ পৰে
তাক জনাটো সম্ভৱ নহয়। বহুক্ষেত্ৰত
ইয়াৰ কোনো কাৰণেই নাথাকে।
বিশ্বাস নহয়, কিন্তু এখন শ্বপিংমলো অকলশৰীয়া
হৈ পৰিব পাৰে। এখন স্কুল অকলশৰীয়া
হৈ পৰিব পাৰে। এখন পাৰ্ক, এটা গম্বুজ,
এখন চিমনি, এটা লাইটপোষ্ট, এখন বাছ
এখন চাইকেল অকলশৰীয়া হৈ পৰিব পাৰে।
কোনে বাৰু ভাবিব পাৰে যে লোহাৰে নিৰ্মিত
পৃথিৱীৰ আটাইতকৈ গধুৰ যন্ত্ৰচালিত ৰে'লগাড়ীখনো
যে মানুহৰ দৰে অকলশৰীয়া হৈ পৰে কেতিয়াবা?

আপোনালোকে হয়তো
এতিয়া মোক প্ৰশ্ন কৰিব যে
এই নিৰ্জীৱ বস্তু বাৰু যন্ত্ৰবোৰেনো
কেনেকৈ অকলশৰীয়া অনুভৱ কৰিব?
তাকেইতো -
নিৰ্জীৱ বস্তু আৰু যন্ত্ৰবোৰৰ ভিতৰত
প্ৰাণ সঞ্চাৰ কৰাই জানো কবিসকলৰ কাম নহয়। ◆◆

# ওৰে ৰাতি

**প্ৰণৱ কুমাৰ বৰ্মন**

গোটেই ৰাতিটো পাহাৰখনে আমাক ছাঁ দি আছিল
এজনী গাৰো গাভৰুৰ নিদ্ৰাৰ দৰে সেই শীতলতা
বিয়পি আছিল
তাইৰ সপোনৰ ভিতৰত মই ছিঞৰি আছিলো

জীয়াই থকাৰ এই অনুশীলন মৃত্যুতকৈ কঠিন ◆◆

# কোনে-জানে

উজ্জ্বল পাওগাম

কোনে জানো
এই সুন্দৰ কথাষাৰ কৈছিল
ভগৱানে সেইজনক সহায় কৰে
যিজনৰ ভাগ্য বেয়া
কিন্তু সেইজনক কোনোকালে
ক্ষমা নকৰে
যিজনৰ লক্ষ্য আৰু উদ্দেশ্য বেয়া

এনেকৈয়ো নাভাবিবা
মোৰ এক হ'ব
তোমাৰ লাখ হ'ব
তোমাৰ প্ৰশংসা হ'বমোৰ তাচ্ছিল্য হ'ব

শৰীৰটোক লৈ গৰ্ব নকৰিবা
মই এদিন শেষ হৈ যাম
তুমিওটো শেষ নোহোৱাকৈ
নাথাকা

জীৱনৰ প্ৰতিটো কথাতে
বেগেত ব্ৰেগেত কৰি থকাসকল
এটা কথা মনত ৰাখিবা
কফিনৰ কোনো ব্ৰেগু নাথাকে
সম্পত্তিৰ পাহাৰ গঢ়োতাসকল
পাহৰি নাযাবা
শেষত মাত্ৰ ছফুট মাটিয়ে লাগে

কি যে মহিমা ভগৱানৰ
জীয়াই থকাসকল পানীত ডুবে
আৰু মৃতশৰীৰ
পানীত সাতুৰি দেখুৱায়

মৃত্যুক মই দেখা নাই
কিন্তু মোৰ ভাৱ হয়
এই মৃত্যু বৰ ধুনীয়া
সেইবাবে কিজানি
যিয়ে এবাৰ লগ পায়
জীৱনটোকে এৰি দিয়ে

মই জীৱনত মানুহৰ এটা কথাত
বৰ একতা দেখিছো
জীয়াই থকা সকলক নমোৱাত
মৰি যোৱাসকলক উঠোৱাত

কোনেও নাজানে
জীৱনৰ কোনটো কথা
শেষ কথা
কোনটো নিশা শেষ নিশা

মিলা-প্ৰীতিৰে
কথা বাৰ্তাৰে
সুখী হৈ থাকা বন্ধু
কোনে জানে
কোনটো সাক্ষাৎ
আমাৰ শেষ সাক্ষাৎ।।। ◆◆

# মায়ং

## চিৰঞ্জীৱ তামুলী

এটা যেন যুগ ইয়াতেই চেঁচা হৈ আছে
শিল হৈ আছে ৰ'দৰ কোমল টুকুৰা
আৰু জাৰকালিৰ সেমেকা এজাক বতাহ
মায়ং
ঘাঁহ খাই থকা এটা গঁড় নতুবা
গৰঙা বিলৰ চকচকাই থকা জীয়ামাছ...
দূৰে দূৰে খেলি থকা পানীকলৰ শব্দ
অদূৰত মায়ঙৰ বাৰিষা...

ভৰদূপৰীয়া মানুহৰ সেউজীয়া সপোন...
ঢৌ খেলি বৈ যোৱা বাৰিষাত
উটি যাব খোজে মায়ঙৰ অবুজ কঠিয়া
গুচি যাব খোজে ৰ'দে পোৰা মানুহৰ ঘৰ্মাক্ত পথাৰ...

লুইতৰ ঢৌৱে সনা কাজলীমুখ আৰু গোবৰ্দ্ধনৰ
ঠেনুক ঠানাক পাচলিৰ বজাৰ
ৰিং মৰা মায়ঙৰ অদূৰ...

কাছশিলাৰ নিজানত বাজি থাকে
পবিতৰাৰ ৰিব্ ৰিব্ সুষমা
লুইতৰ কঁহুৱাৰ মাটি-বালি ৰেখা...

কলংকাষৰীয়া অনুপমা মায়ং
পবিতৰাৰ এজাক বতাহে য'ত নিচুকাই দিনান্ত
শুৱাই থয় এনিশাৰ স্বপ্নীল দিগন্ত
ৰাতিৰ মায়ং যেন অতীতৰ এটা শতিকা...

চনকাৰ পাৰ ভাঙি মায়ং এৰি
লুইতত উটি যাব খোজে শিলৰ গণেশ
কানাই বৰশীবোৱা শিল মায়ঙৰ নিমাত দুপৰীয়া
চনকা যেন মানুহৰ অমল প্ৰাণ...

বাৰুদে ফুটা কৰা গঁড়ৰ কঠিন ছাল
অথবা বৈদ্যুতিক তাঁৰেৰে য'ত লুণ্ঠিত খৰ্গ
তথাপিও মায়ং
ৰজা য'ত মানুহৰ কাষ চাপি বহে
ৰজা মায়ং
স্বপ্নৰ ৰূপোৱালী মায়ং... ◆◆

# আক্ষেপ

## নিৰোড বৰা

ইমান পানীয়েও নুমুবাব পৰা নাই
মোৰ বুকুৰ কমাৰশালঙ্গ
তীক্ষ্ণ ডেগাৰৰ খোছত চেঙালুটি পাৰি
আত্ম সন্তুষ্টি লাভ কৰো এসোঁতা তেজ দেখি

হাজাৰ হাজাৰ যুঁজত হাৰিও
হৃদয় কাতৰ হোৱা নাই হতাশাৰ বধ্যভূমিত
পাষান পথাৰত সুলকি পৰিছে
সৃষ্টি - নাঙলৰ ফাল

বন্ধ্যা বসুমতী
নাই যদি গৰ্ভত অজেয় ভ্ৰূণ
কুষ্মাণ্ডৰ জন্ম নিদিয়াই ভাল

কোনে ৰ'দ লবলৈ আহে
মোৰ শীতৰ চোতালত
জুই নুমোৱা গাড়ীৰ ৰাউচি শুনিও ?

কৰ্ণপটহৰ খালী ঠাই খিনিত
কুৰুকী সোমাই
আত্মীয়ৰ অব্যয় গুঞ্জন।

আহঃ - বুকু জুৰাবলৈ
লাগে এটা কবিতা। ◆◆

# মোক এটা ৰাতি ধাৰে দিয়া

ৰাজুমণি শইকীয়া

মোক এটা ৰাতি ধাৰে দিয়া
যাপন কৰিবলৈ দিয়া জীৱনৰ নিৰুদ্দেশ হাওদা।

শৈশৱ আছিল মোৰ তেনেই নিৰুদ্বেগ
কোলাত লৈ কোনেও মোক কোৱা নাছিল সাধুকথা
গোৱা নাছিল কোনো দিনে নিচুকনি গীত।
ওঁঠত সানি দিয়া নাছিল চামুচৰ স্পৰ্শ,
শুই পোৱা নাছিলো ফুলাম চাদৰ বিছনাত।

ফটা চোলাৰ পুৰণি পুৰণি গোন্ধেৰে চিনাকি আছিল মোৰ
দৈনন্দিন।
ভঁৰালৰ তলৰ ধূলি আৰু নাৰিকলৰ কুৰকাত
সপোন দেখিছিলো জীৱনৰ
তামোলৰ ঢকুৱাৰে ফুৰিছিলো ৰাস্তাত
খেলাত বহি পঢ়িছিলো জীৱনৰ বৰ্ণমালা।

পিতাইৰ দুভৰিত সদায় দেখিছিলো পথাৰৰ বোকাপানী
আৰু আইৰ হাতৰ মুঠিত উল্লাসিত আছিল
শাওন অথবা আঘোন।

মই এতিয়াও - কেতিয়াবা টোপনিটো অনুভৱ কৰো
সেই সময়ৰ আহত সংবাদ।
মোৰ হাতৰ তলুৱাৰ ৰেখাবোৰ মচ খালে কাহানিবাই
ভৱিৰ পটুৱাত অংকিত হ'ল - শিলেকটা আন দাগ।
সেই চোকা শিল আৰু ধূলিৰ মিশ্ৰিত তেজৰ চেঁকুৰাত প্ৰোজ্বল?
মোৰ জীৱনৰ ফাগুন, ব'হাগ। আদৃত-অনাদৃত অনেক সংঘাত।

মই কঁপালত আঁকি ললো জীৱন যজ্ঞৰ জুয়ে পোৱা ছাঁ
নৈ পৰীয়া গাঁৱৰ লৰা মই
সেয়ে বুজি পাওঁ মুধচত কিয় পৰি থাকে
পাৰৰ জাক।
চোতাল আছে আমাৰ, পদুলিৰ নঙলা।
পিতাইৰ দিনৰ পুৰণি চোতালত আজিও গজি
উঠে
দুবৰি, কেঁএগ্ৰাবন।
অংকীয়া ভাওঁনাৰ বিলাপ পয়াৰ
গধুৰ হৈ আহে সন্ধিয়া।
চোতাল আছে বাবেই পূৰ্ণিমা -
তামোল পাতৰ ছাঁ বোৰে জনাব পাৰে
তৰা ভৰা আকাশৰ খবৰ।
চোতাল আছে বাবেই মৰণাৰ খেৰবোৰ ধুনীয়া।

নৈ পৰীয়া গাঁৱৰ ল'ৰা
সেয়ে মই বুজি পাওঁ কুলিৰ মাতত কিদৰে
কঁপি উঠে কপিলীৰ পানী।
বুজি পাওঁ মই দুৰ্বাৰ গতিৰে ডাঙৰ হোৱা
জাতি বাঁহৰ গজালিটো বৃদ্ধ হ'লে পাতেৰে সৈতে
কিয় তলমূৰ কৰে
আৰু জানো মই দূৰৈৰ পাহাৰৰ ওপৰেদি
আজিও আমাৰ গাঁৱৰ ফালে
কিয় নামি আহে-অনেক মেঘৰ সমদল।

মোক এটা ৰাতি ধাৰে দিয়া
এটা ৰাতি মাথোন। স্পৰ্শ কৰিবলৈ দিয়া
মাটিৰ শান্তি আৰু মানুহৰ বুকুৰ ধুমুহাৰ শব্দ
আৰতি হ'ব পৰা শক্তি। ◆ ◆

# স্বাধীনতা স্বাধীন হোৱা সপোনৰ দৰে

**অজিত ৰায়**

স্বাধীনতাৰ উনষষ্টিটা তেজাল ঘোৰা
মোৰ বুকুৰেদি পাৰ হৈ গ'ল
সিহঁতৰ খুৰাৰ দপ দপনি আৰু ধুলিৰ ধুসৰ হৈ পৰিল
মোৰ লৰালিৰ স্বাধীনতাৰ সংজ্ঞা ...

সূৰ্যৰ চকুলৈ চাই সেই কথা ক'লে
সিহঁতে অভিযোগ আনে
সহজ সৰল মানুহৰ বুকুত
মই বিদ্ৰোহীৰ ঘৰ সাজিছোঁ।

ডেৰকুৰি বছৰ বয়সতে
এজন এজনকৈ কুৰি জনৰ
সুঠাম শৰীৰত
মই চিতাৰ জুই দিছো

এই কথা চহৰৰ অলিয়ে গলিয়ে
চিঞৰি কৈছো
কিন্তু এবটল সুৰাৰ ৰাগীত কৈ
কম সময়ত আচ্ছন্ন হৈছে
তেওঁলোকৰ হৃদয়।

সেয়ে স্বাধীনতাৰ স্বাধীন হোৱা
এটা সপোনৰ দৰে
অন্ধৰ এটি মিঠা সপোন।

সপোনে অবাধে গতি কৰিব পাৰে
অট্টালিকা নাইবা উৰুখা পঁজাত
নাই সপোনৰ ভৌগলিক পৰিসীমা।

সপোন হ'ব নোৱাৰে
এটা উত্তপ্ত বুলেট
এজন ৰাইফল ছুটাৰ
নাইবা মাতাল চুবুৰী

সপোন বুলেটপুফ্ৰ
কোঠাত আবদ্ধ নাথাকে
সেয়ে তুমি সপোনৰ দৰে স্বাধীন হোৱা স্বাধীনতা ♦♦

# ৰণুৰা ঘোঁৰাত ৰহন সনা

কল্পতৰু চৌধুৰী

জীৱনৰ ছন্দ সাৰটি
ওৰে দিন, ওৰে ৰাতি
মানুহবোৰে সংগোপনে
বুকুৰ ভিতৰত কঢ়িয়াই লৈ ফুৰে
নেদেখা এখন ছবি

নিশাৰ গভীৰতাত
দেওদি অহা সজাল শব্দবোৰেও
মনৰ শিলনিত বজাই দুন্দুভি
উশাহ সলাই নিজকে হিয়াত উপচাই
চেনেহৰ সুঁতি

তামৰতী দুহাতত
পুৱাৰ ৰ'দজাক অদ্ভু মোহিনী
মায়াময় পৃথিৱীত আপোন পাহৰি
চকুত জিলিকে ৰুণজুণ ধ্বনি
অন্তহীন উটুপনি

অকোঁৰা-পকোঁৰা
জীৱন যুঁজৰ আশা-ভৰষা
ঘুনুক ঘানাক সপোন বিলোৱা
সূৰ্যাস্তৰ বুকুতেই এতিয়া বাসনাৰ স্নিগ্ধতা
ৰণুৰা ঘোঁৰাত ৰহন সনা। ◆◆

# দৈনন্দিন

শিৱপ্ৰসাদ শইকীয়া

(ক)
দিনৰ দিনটো
কেলঢেপ কেলঢেপকৈ
জীয়াই থাকো
ইফালৰ পৰা সিফাল
সিফালৰ পৰা ইফাল।

(খ)
বেলি ডুবিলেই আগবাঢ়োঁ
লুংলুঙীয়া পথটোৰে
ৰঙা-নীলা পোহৰৰ
মেৰঘৰত সোমাই
অতীতৰ স্তৱক আঁতৰাও
সুখৰ দুখৰ গৰল গিলো।

(গ)
নিশা
ব্যস্ত হৈ পৰো
তোমাৰ চকুজুৰিৰ সাঁথৰ ভঙাত
ওৰে নিশা তুমি
ৰজনীগন্ধা হৈ ফুলা
মোৰ শেতেলীত

(ঘ)
তোমাৰ উকমুকনিত
মোৰ ৰাগি লগা সপোনটো ভাঙে
মই আবিষ্কাৰ কৰো নিজকে
নতুনকৈ। ◆◆

## শিশু সাহিত্য

বাসৱী পত্ৰলেখা

সৌৰা চোৰা মৰল ভঙা আকাশত
মেঘৰ দুভুন্দি

প্ৰাচীন দাঁতিয়লীয়া আলি কেঁকুৰিটোত
বাট কণা লাগে বাৰে বাৰে

গুৰুৱে চিহ্নযাত্ৰাৰ পটত কি আঁকিলে
বৃন্দাবনী বস্ত্ৰ আমাৰ ফলক

চিৰাচৰিত গণিতৰ আদিপাঠ

আৰ্যভট্টৰ শূণ্যৰ বিষম ফল
পাৰাপাৰ নাই মেঘৰ
সাগৰৰ

সমতানৰ আহ্বকাল
ধনেৰে কিনো সুখৰ এচোতাল
হাটত বহা কলীবাইৰ জোলোঙাত ঢেকীয়া
পেটত জ্বলাই কি
ভোকৰ ৰাতি ইকাটি-সিকাটি

ৰজত ধবল দ্ৰৌপৰত সেকি দিয়া সকলোৰে কলিজাবোৰ
বিজলুৱা কফবোৰে ডিঙিলৈ উজাই আহি
কুমজেলেকুৱাৰ পিপাসু মলম সানে

সাতঘাটৰ চেঙেলি ফুৰে সাত ঘাটে
কৌটিল্যৰ অৰ্থশাস্ত্ৰ শকুনিৰ চতুৰ
কিদৰে তিষ্ঠিব যুধিষ্ঠিৰ

জীৱনৰ কিছু অক্সিজেন কবিতাৰ চিৰিঞ্জত
কিছু সময় ভোকৰ হাত তালি
কবিতাৰে হেতালি
শোক পাতলাবলৈ কবিতা আওৰাই
সাউদৰ সোণতৰা ডিঙা কলীবায়ো যদি পালেহেঁতেন এমুঠি ◆◆

## মাটি হেৰুৱাৰ গান

নাৰায়ণ টেৰণ

এই মাটি এই আকাশ
মোৰ পৰিচয়
যাৰ উমাল মৰমে
জীপাল কৰিছে মোৰ হৃদয়

এই পলসভৰা মাটিতেইচোন
মোৰ সাতামপুৰুষে সিঁচিছিল
বাৰে কিচিম সোণবৰণীয়া শইচৰ বীজ

পিছে আজি মোৰ মাটি ভেটি
সকলো যেন উচন
দুৰ্ভিক্ষত কোঙা মোৰ দেশৰ
এজাৰ সোণাৰুৰ সোণালী শৈশৱ

গধুৰ সুদৰ ঋণৰ বোজাত সৰ্বশ্ৰান্ত
মোৰ সহোদৰ কৃষক
কোনোৱে লৈছে পথ বাছি
আত্মহননৰ
পুঁজিপতিৰ কুটিল কাৰচাজিত
ক্ৰমশ হেৰাই গৈছে
মোৰ আইৰ আমোলমোল লোক বৈভৱ।

ৰাজ প্ৰাসাদৰ কাণ কটা ৰজাই কি বুজিব
মেহনতী কৃষক-শ্ৰমিকৰ
জীৱনৰ আঁত হেৰুৱাৰ গাঁথা। ◆◆

# এটি সেউজীয়া কবিতা

ৱৰ ৰাজন

তুমি বৈ আছা
গংপোৰ পৰা পদ্মা হোৱা দিনৰে পৰা,
বুকুত কঢ়িয়াই এপাহাৰ অব্যক্ত দুখ
বিলাই বুকুয়ে বুকুয়ে হেপেহোৱা সুখ
তুমি বৈ আছা।

খলপা খলপে যেতিয়া খহে তোমাৰ বুকু
তেতিয়াওটো তুমি বৈয়েই থাকা
ৰমকি, উজাইতো নোযোৱা শৈশৱৰ সৰোবৰ

তোমাৰ বলিয়ালিত যেতিয়া জনতা হয় সৰ্বশ্ৰান্ত
তোমাৰ নামত, তোমাৰ আগত যেতিয়া হয় অৰ্থৰ শ্ৰাদ্ধ
তেতিয়াওটো নহয় তোমাৰ গতিৰুদ্ধ।

বাঢ়ি অহা আলহীৰ গিজ্-গিজনিত
চিনাকী সুৰে যেতিয়া হেৰুৱাই আপোন ঘাট
হেৰাই যাব খোজে মুখৰ মাত
তেতিয়াও বৈয়ে থকা নিৰবধি।

সৃষ্টিৰ উৎস হে ব্ৰহ্মাৰ পুত্ৰ
বিক্ষত হ'বলৈ নিদিবা আৰু
তোমাৰ কলিজাৰ কিয়দংশ।

নতুনকৈ জীয়াই তোলা আমাক
অ' মোৰ চেনেহৰ লুইত
জন্ম দিয়া হেজাৰ শংকৰ-আজান-লাচিত।

লুইত মোৰ ঐ
বৈ থাকা এনেকৈয়ে
প্ৰতিজনৰে হৃদয়ে হৃদয়ে
এটি সেউজীয়া কবিতা হৈ...। ♦♦

# আই

বিনয় চলিহা

তুমি মোক পোহৰৰ সতে প্ৰথম চিনাকি কৰি দিছিলা
মই নাজানো মোৰ দুচকুত আছিল নে নাই তেতিয়া
আকাশ ভৰা মুঠি মুঠি তৰা...
তুমি মোক পৃথিৱীৰ সতে প্ৰথম চিনাকি কৰি দিছিলা যিদিনা
মোৰ দুচকুত আছিল নে নাই
সেউজীয়া অৰণ্যৰ ছাঁ সিদিনা
মাথো তুমিহে জানিছিলা।

এতিয়া মই পোহৰৰ স'তে আলাপ কৰিব পৰা হ'লো
অকলে অকলে, আকাশ চুব পৰা হ'লো মই
সংগোপনে....
তুমি দিয়া পৰিচয়ৰ প্ৰথম বৰ্ণমালা মোৰ জিভাৰ আগত
এতিয়া আঁখে ফুটে
এই মাটিৰ মোহৰ জীৱন বীক্ষাৰ সমীকৰণ কৰো
অকলশৰে

তোমাৰ তৰ্জনী আঙুলিত ধৰি
মোৰ প্ৰথম অন্বেষণ, জীৱন যাত্ৰাৰ
তুমি নদীৰ দৰে, মোক শস্যৱতী পথাৰৰ
উৰ্বৰতাৰে গঢ়ি তোলা
তোমাৰ হৃদয়ৰ আবেগ মই

তুমি আই ... ♦♦

# প্ৰতিবাদ

**বিজয় টেৰন**

দেশৰ মানুহ দেশৰেই কথা,
তথাপি প্ৰতিবাদ কিহৰ
বিক্ষিপ্ত বতাহে আকাশ চাটিছে
তেজৰঙা হৈ ফুলিছে কৃষ্ণচূড়া,
এতিয়া সন্মুখত অমাবশ্যা তোৰণ

সাম্যবাদৰ লাজত কঙালী ৰূপহী পথাৰ,
পদুম পুখুৰীৰ পদুমৰ সুবাস বাৰু কোনে লয়,
আত্মীয় বন্ধু, বিশ্বাস, শব্দবোৰ ধোৱা চাঙত নিৰ্বাক
নহ'লে কুবেৰৰ অংকইবা মিলিব ক'ত
দুখীয়াৰ দুখ, কোনে বুজিব
ঘৰিয়ালৰ চকুপানী কোনে মচিব
উন্মাদ বাৰিষাই এই বাৰু চুই গ'ল দুখনি হিয়া
নিষিদ্ধ হ'ল উল্কা ৰাতি আখা
সময়ে ৰিঙিয়াই এৰাবাৰী চুকত
সত্বাবোৰ মানুহ হোৱা হ'লে
সত্বাবোৰে কথা কোৱা হ'লে
পোতাশালৰ বন্দীয়েও গালেহেঁতেন শান্তিৰ ঐনিতম।
শান্তিৰ আস্ফালন, প্ৰগতিৰ প্ৰতিবাদ
স্তব্ধ হয় ৰাজপথৰ জয়গান
দুৱৰিৰ দলিজাত সৰাপাতৰ শ্ল'গান
ৰাজপথত গজিছে আইতাৰ দুপাৰি দাঁত। ◆◆

# কবিতা, সাহিত্য ইত্যাদি

**জানিক বৰ্মন**

কবিতাবোৰ লিখা নহয়
শীতৰ দিনত
আশাবোৰ নিৰাশাৰ শীতে আবৰি থাকে,
হৃদয়খন কপি থাকে
ভয়লগা মেকুৰীৰ দৰে।

কবিতাবোৰ লিখা নহয়
গ্ৰীষ্ম কালতঙ্গ
আশাবোৰ নিৰাশাৰ উত্তাপে আকুহি ধৰে,
হৃদয়খন ঘামি থাকে
ৰঙানদীখনৰ দৰে।

গোটেই বছৰ লিখা নহয়
বাতৰি কাকতত
শ্ৰমবোৰ, কষ্টবোৰ বিজ্ঞাপনে লুকুৱাই ৰাখে,
কাগজবোৰ উজলি থাকে
অৰ্ধনগ্ন যুৱতীৰ দৰে।

সাহিত্য চ'ৰাত লিখা নহয়
শ্ৰমিক-কৃষকৰ কথা
শব্দবোৰ শীত তাপে নিয়ন্ত্ৰণ কৰে,
কলমবোৰ উপহাৰেৰে উপচি পৰে
বাৰিষাৰ লুইত দৰে ◆◆

## জীৱনৰ শব্দবোৰ

প্ৰীতি ডেকা

শ্ৰমঃ
সলপ হাঁহি
হেত চকুপানী
তথাপি লাগি থাকে
ক সুকীয়া ৰাগি
ওবে দিন ওবে ৰাতি।

দুখঃ
দুখবোৰ যেন এচপৰা
কলীয়া ডাৱৰ,
যেতিয়াই আহে
আকাশ ছানি ধৰে
ৰৰষুণ হৈ
ঝৰ ঝৰ সৰে।

সুখঃ
উদাসী মনৰ
এপিয়লা মদিৰা
ম্যাদ ক্ষন্তেকীয়া

আশা
মৰহা বুকুৰ
ভগা কলিজাত
মাৰি টোকৰ
জন্ম হয় এটি গীতৰ
বাজি থাকে
ৰিণি ৰিণি
হৈ চিৰন্তন
প্ৰেৰণা জীৱনৰ।

আকাঙ্খা ঃ
সপোনবোৰে
পোখা মেলে
সুৰুযমুখীৰ দৰে আকাশ বিছাৰি
আকাশখন পালে
সূৰুযটোক বিচাৰে
নিজৰ কৰি

সংগ্ৰাম ঃ
সপোনে ধৰা দিলে
বাট হেৰায়
বাট বিচাৰি পালে
সপোন লুকাই
বিৰামহীন আখৰাৰ পিছতো যেন
খুঁত থাকি যায় ♦♦

## অস্তিত্বৰ পম খেদি

নিৰঞ্জন বৰুৱা

অনুভূতি বোৰ ক্ষয় কৰিছোঁ
শিখাৰ দৰে
চিতাত উমি উমি জ্বলে আশা
আকাশৰ নীলা বিচাৰি
বন্ধকত দিছোঁ জীৱন
বুকুৰ পৰশত গজে ব'হাগৰ ফুল
জুমি জুমি চায় বোবা সময়ে
ৰাতিৰ বুকুত উচুপে
বেথা যোবা বেলি
প্ৰেমৰ ফলকত আকিছোঁ
জীৱনৰ নিমিলা অংকবোৰ
কেতিয়াবা যোগ কেতিয়াবা বিয়োগ
মুহূৰ্তে মুহূৰ্তে হেৰুৱাইছোঁ জীৱনৰ ৰং।♦♦

# সূৰ্য ফুলিব এদিন

**কৰবী মেধি**

এৰা বন্ধু, তোমাৰ বাবেই
মোৰ বুকুৰ এই সেমেকা হুমুনিয়াহ
মই জানো বন্ধু,
তুমি বিচাৰিছা এখনি উদাৰ নীলা আকাশ
শুনিব খুজিছা জিৰাৰ কুলু-কুলু ধ্বনি
পাব খুজিছা ভালপোৱা, প্ৰেম ইত্যাদি ইত্যাদি।
বন্ধু, মই বৰ দুখীয়া কবি জানা
লিখি নোৱাৰোচোন ফুল-তৰা-গানৰ কবিতা
অশান্ত, মোৰ ধুমুহাৰে জৰ্জৰিত চেতনা
এৰা, মোৰ কবিতাৰ প্ৰতিটো শব্দই শব্দই এতিয়া
বেদনাগধুৰ অশ্ৰুৰ বন্যা।
মোৰ পৰা তুমি কি বিচৰা বন্ধু—
আশাঙ্গ প্ৰেৰণা
মই নিৰাশাবাদী নহওঁ জানা
তুমি সাৰে থাকিবাচোন
মই সাৰেই আছো
সূৰ্য ফুলিব এদিন
এন্ধাৰ নাথাকে বেছিদিন
আৰু তেতিয়াই মই ফুলৰ সৌৰভ আনি
শব্দৰ গালে-মুখে সিচিম
আহিব বন্ধু, আহিব সেই সুদিন
সূৰ্য ফুলিব এদিন। ◆◆

# বসন্ত

**চিনু প্ৰভা দেৱী**

ঋতুৰাজ তুমি আহিলা পুনৰ
গছৰ ডালত কপৌ নাহৰ
কুলি-কেতেকীৰ
সৃষ্টিৰ অনুপম সুবাস
দুবৰিৰ দলিচাত
আকাশৰ বিশাল হিয়াত
মাতিলে তোমাক
অভিমান তোমাৰ
গোটাব পৰা নাই সান্দহ চিৰা দৈ
ধৰালৈ অহাৰ ক্ষণত
আলোক বঞ্চিত সন্তান মই।
যোৱাৰাতি ধুমুহাত, আমাৰ জুপুৰীটো
বৰ জোৰেৰে কোবাইছিল।
মোৰ কেনে লাগিছিল জানা?
বৰদৈচিলাজনীয়ে উৰাই নিব
আৰু মই খেলিম আপোন মনে
তোমাৰ স'তে।
তুমি যিদিনা আহিবা পুনৰ
চেনেহৰ ফল্গুধাৰা সেইদিনাই বব
প্ৰকৃতিৰ বুকুত তুলিব
ছন্দৰ মধুৰ মুৰ্চ্ছনা
সমুদ্ৰ সিচি নানিবা মনি মুকুতা
বৈ থাকক।
মৃগাৰ সাজ পিন্ধি
খোপাত কপৌফুল
হাতত আঁকিছো
জেতুকাৰ বোল
বিহুৱা মতলীয়া হ'ল। ◆◆

া

কুঞ্জ কুমাৰ নাথ

ন্নাকী পৰুৱা এজাক
মলি আছিল সেইদিনা
নই দিনাই তোমাৰ
ত্যু হৈছিল অ' মা।
মি গুচি গৈছিলা নিৰৱে অজান দেশলৈ
শ্যাটো হেলনীয়া হৈ
যতিয়া চকুৰ পতাত আউজে
যতিয়া ক্ৰমশ নিস্তব্ধ হয় মোৰ বুকুৰ চৌপাশ
ততিয়াই মনত পৰে তোমালৈ মা;
নাৰু তেতিয়াই তচনচ হৈ যায় মোৰ হিয়া,
চি যাবলৈ মন যায়
তামাৰ ওচৰলৈ......
মি চাই আছানে?
কি দৰে ধুমুহাৰ মাজে মাজে
তি কৰিছো মই
দিও তুমি ভবাৰ দৰেই
হাৱা নাই মই
থাপিও ভাগৰি পৰা নাই।
তামাৰ অনুপস্থিতিত
ীৱন কটোৱা বৰ জটিল অ' মা।
ৃমি এৰি যোৱা
আজি আঠটা বছৰে হ'ল
কি দৰে চলিছো চাই আছা নে?
ুমি দেখুৱা সপোনবোৰ
ঠিকত পৰিণত কৰিবলৈ
আৰম্ভ কৰিছো মা ...
ত আছা, তাৰে পৰাই মোক
আশীৰ্বাদ কৰিবা।
মানুহ হ'বলৈ
তোমাৰ দৰে মা....। ◆◆

## গুৰু-শিষ্যৰ মহামিলন

ৰেজা ছাদুল্লাহ আহমেদ

তুমি যাদুৰ ৰাজ্য মায়ং
এক ঐতিহাসিক নাম

মহাবাহুৰ সমীৰে
পৰ্বত পাহাৰে
পবিতৰা অভয়াৰণ্য,
তুমি অনন্য।

পঁচিশটা বছৰে তোমাৰ বুকুত
জিলিকিছে এক অনন্য নাম,
মায়ং মহাবিদ্যালয়
বিদ্যাৰ আলয়,
জ্ঞানৰ পোহৰ বিলায়।

তোমাক কৰিছো প্ৰণাম
আলোকিত কৰা চিৰদিন
তুমি হোৱা মহীয়ান,
গোৱা মিলনৰ গান।

ৰূপালী জয়ন্তী কৰিলা পাৰ
তুমি অসীম জ্ঞানৰ ভাণ্ডাৰ
জিলিকাই থাকা চিৰদিন
গুৰু-শিষ্যৰ মহামিলন। ◆◆

# মায়ং খনিকৰ

## (প্ৰয়াত দিপন চন্দ্ৰ নাথদেৱৰ সোঁৱৰণত)

বীৰেশ্বৰ কেলেং

তুমি মায়ং খনিকৰ
তুমি সুদক্ষ খনিকৰ
তোমাৰ আগমন আছিল কালোচিত
তদ্ৰুপ কালোত্তীৰ্ণ তোমাৰ মহাপ্ৰস্থান
তোমাৰ লাহী হাতৰ পৰশেৰে
বুনিয়াদ গঢ়িছিলা মোৰ ওপজা নব্য মায়ং খনি
অতি নিখুঁত কৰি
আই সৰস্বতীৰ পবিত্ৰ মন্দিৰ
মায়ং আঞ্চলিক মহাবিদ্যালয়
তোমাৰে দুহাতৰ যাদুকৰী সৃষ্টি
আজি যাৰ মহাষ্টমী পূজা
সমবেত তাত কত
পূজাৰী, ভক্ত আৰু ....
যিসকলে জানে কেৱল
পূজাৰ উপাচাৰ
নাজানে দেৱীৰ প্ৰাণ প্ৰতিষ্ঠাতা কোন
মহালক্ষ্মীৰ ৰাজকোষ
ষ্টেট বেংকৰ
তুমিয়েই প্ৰাৰ্থক
য'ত মায়ংবাসীৰ সঞ্চিত পুজি
অথচ তোমাৰ কথা
স্মৰণৰ নাই অৱকাশ।
দুষ্ট দলনৰ আৰাধ্যা দেৱী
দুৰ্গাৰূপী আৰক্ষী চকী
তাকো আবাহন কৰিছিলা তুমি
মহাভাৰতৰ সঞ্জয়ৰূপী ডাকঘৰ
তাৰো প্ৰতিষ্ঠাতা তুমিয়েই
যিয়ে দুৱাৰে দুৱাৰে বিলাইছে খবৰ
পিচে ক'তা
তোমাৰতো বাতৰি নিবিলায়
তোমাৰ দহো আঙুলিৰ
যাদুকৰী কৌশলত
সাৰ পালে নতুন মায়ঙে
অথচ —
তুমি আজি স্মৰণাতীত
তোমাৰ সৃষ্টিক
গ্ৰাসিব ধৰিছে
নিষ্ঠুৰ পাহৰণিয়ে
আজিৰ এই মহাষ্টমীৰ
মধুৰ ক্ষণত
হে আমাৰ সুনিপুণ খনিকৰ
তুমি চাই ৰ'বা
আকাশৰ পৰা
পুৰতি তৰাৰ স'তে
যদি লাগে ক'ৰবাত কেণা
তুমি তাক দিবা সোঁৱৰাই
নিদিবা জানো তুমি
কাৰণ —
তুমি যে মায়ং খনিকৰ।◆◆

## নন্ত শয্যা

পশিখা ডেকা

ন্ত আকাশত সূৰুযৰ দীপ্ত আভা
থিবীৰ কোলাত শুই আছো আমি
শংকু হৈ
স্য যায় দিগন্ত ৰেখা পাৰ হৈ
ধল ক'লা চাদৰে সাৱটি ধৰে
তামাক-মোক
প্ত হৈ পৰে বিষুব ৰেখাৰ সিপাৰৰ জগত
হঁত সাৰ পাই উঠে।

ন্ধাৰ আৰু পোহৰ খেলাৰে
টি দিনৰ সমাপ্তি
নন্ত কালৰ বাবে এটি এটি দিন
হাকালৰ মুহূর্ত

আমি ওলমি থকা পৃথিৱীত
জীৱনে মৃত্যুৰ এটি এটি ক্ষণ
অনন্ত ধামলৈ গতিশীল পৰিক্ৰমা
আমি নজনাকৈ গতি কৰো
সেই অনন্ত জগতলৈ
যাক আমি নেদেখো
অথবা ভাবি হতভম্ব হওঁ। ◆◆

## স্নিগ্ধ নিয়ঁৰৰ অনুভৱ

ববিতা হাজৰিকা (শইকীয়া)

এটি নিশাৰ অন্তত
এটি নিখুঁত পুৱা
স্নিগ্ধ কোমল পোহৰত
অনুভৱ কৰো মই নিৰলে...
জিলমিল তৰাৰ ধেমালি
জোনাকৰ সেউজীয়া দলিচাত
প্ৰকৃতিৰ এই অনুপম ৰূপালী
সুকোমল দুবৰিৰ দলিচাত
নিগৰি পৰে নিয়ঁৰৰ কণা
নিস্তব্ধ নিশাৰ নীৰবতা ভেদি
দুবৰিৰ দলিচাত পুৱাৰ উন্মাদনা
নিৰ্মল এই ৰূপালী টোপাল
প্ৰভাতী সূৰ্যৰ কোমল ৰেঙণিত
ৰূপালী টোপালবোৰৰ চিকমিকনিত
সেউজীয়া দলিচাখন হৈছে শুৱনি
তাৰ তিৰবিৰণিত নিয়ঁৰৰ অলেখ ধেমালি
হঠাত জোকাৰি গ'ল ৰূপালী টোপাল
শুকাই গ'ল সেউজীয়া দলিচা
অন্তঃ পৰিল স্নিগ্ধ কোমল পুৱাৰ। ◆◆

# দহ মিনিট

মণিৰত্ন ডেকা

দহ মিনিট হ'ব পাৰে অতি কম সময়
কিন্তু ব্যাকুলতাৰ হেঁপাহেৰে পুৰ।
সেই হেতুকে মই ভাবি লও
শুকান মৰুভূমিৰ দহ টোপাল পানী
তেতিয়া মোৰ মন অজানিতে পুলকিত হয়
ঢাপলি মেলে তোমাৰ কাষলৈ
মন যায় তেতিয়া
তোমাৰ কাপলত আঁকি দিবলৈ
এটি উষ্ম চুমা।
সিদিনা দুপৰীয়া
তোমাৰ আৰু মোৰ দেহৰ পৰা
নিৰ্গত হোৱা প্ৰতি টোপাল ঘামেৰে
জীপাল কৰি তুলিম লেৰেলি যোৱা সপোনবোৰ।
ম্লান পৰা নাই এতিয়াও
অতীতৰ
এতিয়াও আমনি কৰে বাৰে বাৰে
ৰোমাঞ্চিত কৰে মোৰ প্ৰতিটো পল-অনুপল।
যাৰ বোৱতি সোঁতত প্ৰবাহিত হয়,
তুমি তুমি লগা মোৰ একান্ত মুহূৰ্তবোৰ
কেতিয়াবা আৰ্তনাদ কৰে মোৰ বুকুৰ ভিতৰখন
তোমাৰ মুখৰ পৰা প্ৰকাশিত সেই মৰম সনা শব্দবোৰত
তুমি হয়তো নাজানিবা প্ৰণয়ৰ সোঁতত
চঞ্চল গাঠাবোৰৰ কথা,
সিদিনাই মোক ভালদৰে অধ্যয়ন কৰিবা,
যি পোৱা তুমি তাকে লৈ সুখী হবা।। ◆◆

# আই

মঞ্জু প্ৰভা দেৱী

আই তুমি কুশলে আছানে?
বহুদিন হ'ল তোমাৰ মৌসনা মাতষাৰ নুশুনা
তোমাৰ স'তে বিছনাত নোশোৱা
দুপৰ নিশালৈ তোমাৰ স'তে কথা পাতা

তোমাৰ দৰে মোৰ মনটোৱেও
আকাশলৈ উৰা মাৰে
সপোনবোৰে আটোম টোকাৰিকৈ
ঘৰ সাজিছোঁ ঠিক তোমাৰ দৰে
মই ভাগৰিও, ভাগৰা নাই

এতিয়া তোমাৰ আশাবোৰে
পোৱা নোপোৱাৰ হিচাপ কৰি
পাবলৈ থকাবোৰ বাকী ৰাখি
ঘৰমুৱা

আই অ' নামঘৰলৈ গৈছানে?
যাবা, সংগ পাবা ন'হলে
নিসংগ সময়বোৰ কেনেকৈ কটাবা?
বিষৰ টেবলেট খাইছানে?
খাবা, নহ'লে ঘৰৰ কামবোৰ
অকলে কেনেকৈ কৰিবা?

আই মোৰ কি যে হ'ল
সময়বোৰ চোন নিমিলাই হ'ল
আই তুমি কুশলে থাকা
কেতিয়াবা আহিম
আকৌ একেলগে শুম
হাঁহিম, বুকুত গেঠেনা মৰা কথাবোৰ
আকৌ তোমাৰ সতেই পাতিম। ◆◆